সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২২ সংখ্যা, ১৪ জেঠ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 22 * Date Of Publication - 29 May 2022 Rs.10.00/-

## গুৱাহাটীৰ ৰেডিছন ব্লুত অনুষ্ঠিত হ'ল কনক্লেভ অন এক্ট ইষ্ট থ্ৰু নৰ্থ-ইষ্ট অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ৰেডিছন ব্লুত অনুষ্ঠিত হ'ল কনক্লেভ অন এক্ট ইষ্ট থ্ৰু নৰ্থ-ইষ্ট অনুষ্ঠান। এই কনক্লেভ খন আনুষ্ঠানিকভাবে উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উত্তৰ-পূবৰ আন্তঃ গাঁথনি উন্নয়নৰ লগতে যোগাযোগ ব্যৱস্থাৰ বৃহৎ পৰিৱৰ্তনৰ উদ্দেশ্যে অনুষ্ঠিত এই কনক্লেভতেই ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন উয়ে কুয়েনৰ ঘোষণা- গুৱাহাটীত নিৰ্মাণ কৰা হ'ব এক বৃহৎ লজিষ্টিক পাৰ্ক। ৪০ৰ পৰা ৬০ একৰ ভূমিত নিৰ্মাণ হ'বলগীয়া এই পাকখন সন্দৰ্ভত এক ৰূপৰেখাও ছিংগাপুৰৰ উচ্চায়ুক্তজনে দাঙি ধৰে। উল্লেখ্য যে অসম তথা উত্তৰ-পূবত ছিংগাপুৰৰ সহযোগিতাৰে একাধিক উন্নয়নমূলক কাম কৰাৰ উদ্দেশ্যে ইতিমধ্যে সম্পন্ন হৈছে কেইবালানি আলোচনা। এই আলোচনাৰ অংশস্বৰূপে অনুষ্ঠিত কনক্লেভত লজিষ্টিক পাৰ্কৰ লগতে এখন স্কীল ইউনিভাৰ্ছিটী আৰু গুৱাহাটীৰ মাষ্টাৰ প্লেন প্ৰস্তুতৰ ক্ষেত্ৰতো ছিংগাপুৰে সহযোগিতা আগবঢ়াব বুলি উচ্চায়ুক্তজনে জানিবলৈ দিয়ে। ইণ্ডোনেছিয়া, থাইলেণ্ড, ছিংগাপুৰ, কম্বোডিয়া আদিকে কৰি আছিয়ান দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলৰ উপস্থিতিত অনুষ্ঠিত এই কনক্লেভখন আনুষ্ঠানিকভাবে উদ্বোধন কৰে। এই কনক্লেভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- এক্ট ইষ্ট পলিচীয়ে অসম তথা উত্তৰ-পূবৰ বিকাশৰ দিশত নতুন দিশৰ সূচনা কৰিছে। মুখ্যমন্ত্ৰীয়ে ভাষণত কয় যে এই ইষ্ট পলিচীৰ জৰিয়তে উন্নয়নে যি মাত্ৰা লাভ কৰিছে, তাৰ দ্বাৰা উত্তৰ-পূবৰ জনসাধাৰণে নিজকে ভাৰত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীসমূহৰ সৈতে সংপৃক্ত কৰিব পাৰিছে। এক্ট ইষ্ট পলিচীৰ পটভূমিত বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমক আছিয়ান ব্লকৰ এক্সপ্ৰেছৱে' আৰু গেটৱে' হিচাপে গঢ়ি তোলাৰ

( পাঁচ পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ
## ৰেল যাত্ৰা



ৰেল যাত্ৰা বা train journey সচাই বৰ ভাল লগা এটি আমেজ। এই ৰেল যাত্ৰাৰ লগত বহুতৰ বহুত স্মৃতি জড়িত হৈ থাকিব পাৰে। কাৰোবাৰ বাবে সেই স্মৃতিবোৰ সুখ আৰু কাৰোবাৰ বাবে দুখ। কেতিয়াবা যদি কবিৰ কবিতা সৃষ্টি হৈছে আকৌ কেতিয়াবা গায়কৰ গানৰ কলিও সৃষ্টি হৈছে এই ৰেলখনতেই। বাৰু যিকি নহ'ওক এতিয়া মোৰ প্ৰসংগৰ বিষয়টো হৈছে লোকেল ট্ৰেইন। সাম্প্ৰতি পেট্ৰল ডিজেলৰ অত্যাধিক মূল্যবৃদ্ধিয়ে কোঙা কৰা জনতাক বাছৰ অত্যাধিক ভাড়া বৃদ্ধিয়ে সাধাৰণ জনতাৰমূৰত বাৰুকৈয়ে মাধমাৰ শোধাইছে। বাচ মালিক সকলৰ কভিড কালৰ পিছৰ পৰা বহুখিনি সময়ত পেছেঞ্জাৰৰ অভাৱ ৰ বাবে বাছসমূহ চলাবলৈ বহু কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছে।

খালী গাড়ীৰ বাবে কিছু সময়ত বহু বাছ বন্ধ কৰিব লগীয়াও হৈছে। তেলৰ দামৰ বাবে ভাড়া বঢ়াবলৈ বাধ্য হৈছে। কেৱল যে বাছৰ ভাড়াই বৃদ্ধি হৈছে তেনে নহয় বাছৰ লগতে টেম্প আদিৰ মালিকসকলেও মূল্যবৃদ্ধিৰ সুৰুঙা লৈ অত্যাধিক ভাড়া বৃদ্ধি কৰিছে। মূল্যবৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইখিনিতে এটা প্ৰশ্ন আহিছে মনলৈ। আমি যদি আমাৰ যোগাযোগৰ মাধ্যম টো লোকেল ট্ৰেইনেৰে কৰো মই ভাবো এইটো অতি উচিত পদক্ষেপ হ'ব। কাৰণ এখন ট্ৰেইনে একে সময়তে ভালেখিনি কাম কৰিব পাৰে।মাল-বস্তু অনা নিয়াৰ পৰা আদি কৰি মানুহ অনা নিয়া কৰাৰ লগতে বহুখিনি কামেই সহজে হৈ উঠিব আৰু মূল্যও যথেষ্ট ক'ম হ'ব। এইখিনিৰ বাবে আমাক লাগিব আমাৰ অসমৰ ৰেল লাইন সেৱাসমূহৰ আৰু অধিক উন্নতি।

## 'মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনিৰ' নীতি নিৰ্দেশনা জাৰি



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰে "মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনি" নামেৰে এখন নতুন আঁচনি প্ৰৱৰ্তন কৰিছে। সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সচিবালয়ে এই আঁচনিখন ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি আঁচনিখনৰ বাবে বছৰেকীয়া ৰাজ্যিক বাজেটৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ বাবে নিৰ্ধাৰিত মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰী অৱস্থাৰ অধীনত থকা পুঁজি ব্যৱহাৰ কৰা হ'ব। আঁচনিখনৰ মূল উদ্দেশ্য হ'ল জৰুৰী অৱস্থাত ক্ষিপ্ৰতাৰে জনসাধাৰণৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা। এই উদ্দেশ্যৰে আঁচনিখনৰ বাবে নিৰ্ধাৰিত পুঁজি বিত্ত বিভাগৰ অনুমতি সাপেক্ষে ৰাজহুৱা খণ্ডৰ বেংকত চেভিংচ একাউণ্টত ৰখা হ'ব। এই একাউন্ট অসমৰ মুখ্যমন্ত্ৰীয়ে তদাৰক কৰিব আৰু ইয়াৰ পৰা লাভ কৰা সুত বিত্তীয় বৰ্ষটোৰ শেষত চৰকাৰী ৰাজকোষত প্ৰদান কৰা হ'ব। আঁচনিখনৰ অধীনত থকা পুঁজি নিয়মীয়া

( পাঁচ পৃষ্ঠাত চাওক)

## যোৰহাট জিলাৰ কেন্দুগুৰিস্থিত নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপকৃত হোৱা কৰ্ম সম্পাদন

ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাট জিলাৰ কেন্দুগুৰিস্থিত নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল বিদ্যালয়লৈ অহা যোৱাত অসুবিধা হোৱাৰ বাবে নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ দান বৰঙণি আৰু স্থানীয় ৰাইজৰ সহযোগত দোলাকাষৰীয়া গাৱৰ পূব পশ্চিম সংযোগী বাযজান নামৰ জানটোৰ ওপৰত এখন বাঁহৰ দলং নিৰ্মাণ কৰি ৰাইজৰ লগতে বিশেষকৈ সেই পথেদি জানটো অতিক্ৰম কৰি স্কুললৈ অহা যোৱা কৰিবলৈ সুবিধা কৰি দিয়া হয়। শিক্ষক সকলৰ এনে ভাল কৰ্ম ৰ বাবে অঞ্চলটোৰ ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই দলং খনে এফালে টিয়ক আনফালে যোৰহাটক সংযোগ কৰিছে।

১৪ জেঠ, ১৪২৭ চন Rongili Barta, Date of Publication-- 29 May, 2022

# North East Artistic Talent Club উদ্যোগত নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট এৱাৰ্ড ২০২২ বৰ্ষ

ৰঙিলী বাৰ্ত্তাসেৱা- ২২মে’ তাৰিখে গুৱাহাটী চান্দমাৰী পেঞ্চনাৰ ভৱনত অনুষ্ঠিত হোৱা নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাৱৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উৎযাপন কৰা হয়। উক্ত দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উৎযাপন অনুষ্ঠানত উপস্থিত থাকে অসম জন-সংযোগ বিভাগৰ উপ-সঞ্চালক পুলিন ডেকা ডাঙৰীয়া, অসম দৈনন্দিন বাৰ্তা, অসম ৰাইনু কাকত আৰু ডিবি নিউজৰ মুখ্যসম্পাদক শংকৰ গোহাঁই ডাঙৰীয়া, বিশিষ্ট সাংবাদিক, সঞ্চালক বাৰ্তালাভ (নিউজ এণ্ড মেডিয়া), ND24 চেনেলৰ এংকৰ চক্ৰ পানি পৰাশৰ আৰু ঢোলৰ সম্ৰাট সোমনাথ বৰা দেৱ। নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাৱৰ সভাপতি পিন্টু বৰা মুখ্য সম্পাদক ৰশ্মিৰেখা কাশ্যপ ডাঙৰয়ানী লগতে শদিয়াৰ পৰা আৰম্ভ কৰি ধুবুৰীৰ-বৰপেটাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহুতো গন্য-মান্য ব্যক্তি। নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাৱৰ মূখ্য উপদেষ্টা নঞ্জু দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অসমীয়া ক’লা সংস্কৃত, সাহিত্য, উদ্যোগ, সংবাদ মাধ্যমৰ লগতে সমাজ সেৱাৰ বাবে বহু ব্যক্তিক নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট এৱাৰ্ড প্ৰদান কৰে। মৈৰাবাৰীৰ যুৱ সাংবাদিক তথা বেছামাৰী প্ৰেছ ক্লাৱৰ সভাপতি মোস্তফা মেহেবুব মোক্তাৰক ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ সাংবাদিক হিচাপে সংবাদ ৰত্ন বঁটা আগবঢ়াই। মোস্তফা মেহেবুব মোক্তাৰক নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাৱৰ হৈ এই বঁটা প্ৰদান কৰে অসম জন-সংযোগ বিভাগৰ উপ-সঞ্চালক পুলিন ডেকা ডাঙৰীয়াই। সমগ্ৰ মৰিগাঁও জিলাৰ বাবে গৌৰৱ কঢ়িয়াই অনা মোস্তফা মেহেবুব মোক্তাৰৰ লগতে আৰু দুগৰাকী ব্যক্তি হ’ল ইছাহাক আলী ডাঙৰীয়া আৰু জহিৰুল ইচলাম।অসম TATA Motorsৰ Morigaon Branchৰ Sales Managerles ইছাহাক আলীক ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ উদ্যোগ ৰত্ন বঁটা আৰু মৰিগাঁও জিলাৰ গবৈমাৰীৰ যুৱক জহিৰুল ইচলামক সমাজ সেৱাৰ বাবে সমাজ সেৱা বঁটা প্ৰদান কৰে। এই দ্বি-বাৰ্ষিক অনুষ্ঠানত এখনি নক্ষত্ৰ নামৰ গ্ৰন্থ আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে।

# ৮৪ বছৰীয়া বৃদ্ধাই ৬ বছৰেও নাপালে চৰকাৰী আবাস যোজনাৰ গৃহ

ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও জিলাৰ অন্তৰ্গত বৃহত্তৰ ইতিহাস প্ৰসিদ্ধ কপাহেৰা অঞ্চলৰ ভকতগাঁও গাঁও পঞ্চায়তৰ অধীনস্থ ভকতগাঁওৰ বাসিন্দা দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৮৪ বছৰীয়া নিঃসঙ্গ বৃদ্ধ গণেশ শইকীয়াদেৰে আজিও নেপালে প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ এটা চৰকাৰী গৃহ। অতি দুখ তথা পৰিতাপৰ আৰু চিন্তনীয় বিষয়তো হ’ল দুৰ্ভগীয়া অসহায় গণেশ শইকীয়াই ২০১৫ চনৰ সেইসময়ৰ বটদ্ৰৱা সমষ্টিৰ বিধায়ক মাননীয় গৌতম বৰাদেৱলৈ ৪ ১১ ২০১৫ চনতেই এখন আবেদন প্ৰদান কৰিছিল। তেখেতে আবেদন পঢ়ি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে দলংঘাট খণ্ড উন্নয়ন বিষয়াগৰাকীলৈ আবেদনখনত Recomended কৰি পঠিয়ালে। দুৰ্ভাগ্য, লাজৰ কথা যে B.D.O গৰাকী এইক্ষেত্ৰত কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰিলে (সম্ভৱতঃ সেই সময়ত বৰ্তমান এই সমষ্টিৰ বিধায়িকা মাননীয় শিৱামণি বৰা ডাঙৰীয়ানীয়েই আছিল)। যাৰ ফলত জহি-খহি যোৱা ঘৰতোত থাকিবৰ অনুপযোগী হোৱাত তেওঁ এতিয়া আনৰ গৃহত আশ্ৰয় ল’ব লগা হৈছে। উল্লেখযোগ্য যে ২০১৬ চনত নলবাৰীৰ জীয়ৰি কপাহেৰাৰ বোৱাৰী মাননীয় বিধায়িকা আঙুৰলতা ডেকাই ঘৰটো চাই “এইবাৰ আপুনি ককা ঘৰ পাবই” বুলি কোৱা সত্বেও কিন্তু দুৰ্ভগীয়া গৰাকীৰ কপাল নুফুলিল। মনকৰিবলগীয়া কথা যে গাঁওখনৰ বহু নেপাবলগীয়া, তালিকাত নাম নথকা পৰিয়ালেও কিন্তু ঘৰ পাইছে। এনেবোৰ পক্ষপাতিত্ব মূলক কাৰ্যই সাধাৰণ জনতাৰ মনত সাংঘাতিক দুখ দিয়াৰ লগতে বিদ্ৰোহ, ঘৃণা, অনীহাৰ ভাবৰ সৃষ্টি কৰিছে। “খেনক দেখি বন্ধা-বঢ়া, খেনক দেখি দুৱাৰ বান্ধা” এই নীতি চৰকাৰৰ প্ৰতিনিধি সকলে পৰিত্যাগ কৰি প্ৰকৃত হিতাধিকাৰী জনতাক চৰকাৰৰ পাবলগীয়া সুবিধাখিনি প্ৰদান কৰি জনসাধাৰণৰ প্ৰিয়ভাজন হোৱাৰ প্ৰকৃত সমাজসেৱা কৰাৰ মনোভাবৰ পৰিচয় দিয়ক।

# বটদ্ৰৱা থানা জ্বলাই দিয়াৰ ঘটনাক গৰিহণা এছইউচিআইৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বটদ্ৰৱা থানা জ্বলাই দিয়াৰ ঘটনাক গৰিহণা জনাইছে এছইউচিআই (কেমিউনিষ্ট)দলে। এক প্ৰেছ বিবৃতি যোগে অজিত আচাৰ্যই কয়- গণতান্ত্ৰিক পথেৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ সলনি এনেধৰণৰ হঠকাৰী কাৰ্যকলাপে কেতিয়াও কোনো কাংক্ষিত পৰিণাম কঢ়িয়াই নানে, বৰং তাৰ যোগেদি প্ৰতিক্ৰিয়াশীল শক্তিৰ হাত মজবুত কৰা হয় আৰু গণতান্ত্ৰিক আন্দোলনৰ পৰিৱেশ বিঘ্নিত হয়। এই ঘটনাৰ নিৰপেক্ষ তদন্ত ক্ৰমে প্ৰকৃত দোষীক ন্যায়িক বিচাৰ প্ৰক্ৰিয়াৰ যোগেদি শাস্তি বিহাৰ দাবী জনাই কোৱা হয় যে ইয়াৰ প্ৰতিক্ৰিয়া হিচাবে চৰকাৰ তথা পুলিচ প্ৰশাসনে যিদৰে ছালনাবড়ি গাঁৱৰ ম্যাদী মাটিত থকা ঘৰসমূহ বুলডজাৰেৰে উচ্ছেদ কৰি ধ্বংসস্তুপত পৰিণত কৰিলে তাৰ যোগেদি ন্যায়িক বিচাৰ প্ৰক্ৰিয়াক পদদলিত কৰা হৈছে আৰু পুলিচৰ হাতত বিচাৰ নকৰাকৈ শাস্তি প্ৰদানৰ সৰ্বোচ্চক্ষমতা অৰ্পণ কৰা হৈছে। তদুপৰি ছফিকুল ইছলামৰ আৰক্ষীৰ জিম্মাত অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ বিচাৰ বিভাগীয় তদন্ত ক্ৰমে দোষী পুলিচ বিষয়াৰ দৃষ্টান্তমূলক শাস্তিৰ দাবী জনাই কোৱা হয় যে ইয়াৰ আগতে বৰ্তমান চৰকাৰৰ আমোলত অসমত আৰক্ষীয়ে নিৰপৰাধী লোকৰ ওপৰত নিৰ্যাতন চলোৱা, অভিযুক্ত ব্যক্তিক তথাকথিত এনকাউন্টাৰৰ নামত গুলীয়াই হত্যা কৰাৰ ঘটনা সংঘটিত হৈ আছে। এনে পৰিস্থিতিত মূল্যবৃদ্ধি সহ বিজেপি চৰকাৰ অপশাসনৰ বিৰুদ্ধে জনসাধাৰণৰ প্ৰচণ্ড ক্ষোভক বিপথে পৰিচালনা কৰাৰ বাবে চৰকাৰে বটদ্ৰৱা ঘটনাৰ নিৰপেক্ষ মূল্যায়নৰ ভিত্তিত বিজ্ঞানসন্মত পদক্ষেপ গ্ৰহণ কৰাৰ সলনি সাম্প্ৰদায়িক ৰহণ সানি পাৰস্পৰিক শান্তি - সম্প্ৰীতিৰ পৰিৱেশ বিনষ্ট কৰাৰ চক্ৰান্তত নিয়োজিত হৈ আছে। ইয়াৰ বিৰুদ্ধে আৰু ৰাজ্যৰ বুকুত গণতান্ত্ৰিক বাতাবৰণ ৰক্ষা কৰাৰ বাবে আগুৱাই আহিবলৈ জাত পাত ধৰ্ম বৰ্ণ নিৰ্বিশেষে ৰাজ্যৰ শুভ বুদ্ধিসম্পন্ন ৰাইজৰ প্ৰতি আহ্বান জনোৱা হয়।

# আকাশলংঘী মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবী তৃণমূল কংগ্ৰেছৰ




ৰঙিলী বাৰ্ত্তাসেৱা- আকাশলংঘী মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবী উত্থাপন কৰি অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ নেতৃত্বত ১২ ঘণ্টীয়া অনশন কাৰ্যসূচী গুৱাহাটীৰ চচলস্থিত অনশন স্থলিত আয়োজন কৰা হয়। বিজেপি চৰকাৰৰ শাসনত দিনে দিনে ডলাৰৰ তুলনাত টকাৰ মূল্য কমি আৰু সকলো সামগ্ৰীৰ মূল্য বৃদ্ধি হৈ আছে, কিন্তু বিজেপি দলে শাসনলৈ অহাৰ পূৰ্বে মূল্য বৃদ্ধিক লৈ অধিক সৰৱ আছিল। মূল্য বৃদ্ধিৰ প্ৰতিবাদত গৰুগাড়ীত উঠা, পিয়াজৰ মালা পিন্ধা, আদি আনকি হাতৰ খাৰু খুলি বিজেপি নেত্ৰীয়ে প্ৰতিবাদ কৰিছিল, কিন্তু আজি বিজেপি দলে চৰকাৰ গঠন কৰাৰ পাছত দেশৰ অৱস্থা কি হৈছে? আজি জীৱনদায়িনী ৮০০ বিধ ঔষধৰ দাম বৃদ্ধি, সকলো ধৰণৰ খাদ্য সামগ্ৰীৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি, পেট্ৰ’ল ডিজেলৰ মূল্য বৃদ্ধি, ৰন্ধন গেছৰ অভাৱনীয় মূল্য বৃদ্ধি টোলগেট টেক্স’ আদি বৃদ্ধি কৰি সকলো সামগ্ৰীৰ মূল্য বৃদ্ধি ঘটাই বিজেপি চৰকাৰে আমাৰ সাধাৰণ জনগণৰ জীৱনযাপন স্তব্ধ কৰি দিছে। আনহাতে বিজেপি নেতা, মন্ত্ৰী সকলে মূল্যবৃদ্ধি প্ৰসঙ্গত সময়ে সময়ে তুলুঙা মন্তব্য দি সাধাৰণ জনতাক উপলুঙা কৰি আছে। হিতাধিকাৰী আচনিৰে দৰিদ্ৰ জনতাক সহায় কৰিব বুলি কোৱা চৰকাৰ খনৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে পাপ ফলত মানুহ দৰিদ্ৰ হয় বুলি কৈ আমাৰ সাধাৰণ জনতাক উপলুঙা কৰাৰ দৰে আন নেতা-মন্ত্ৰী কিছুমানেও তুলুঙা মন্তব্য দিয়া দেখি আহিছো, এয়া নিশ্চিত ভাৱে গৰিহণাৰ যোগ্য। আমি অসম তৃণমূল কংগ্ৰেছে সেই টুলুঙা মন্তব্যক আৰু মূল্য বৃদ্ধি ৰোধ কৰিব নোৱাৰা চৰকাৰ খনক গৰিহণা দিছো আৰু শীঘ্ৰেই সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰিবলৈ দাবী উত্থাপন কৰিলো।

# শোণিতপুৰ জিলাত ৬ খন আদৰ্শ বিদ্যালয় উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শোণিতপুৰ জিলাত ৬ খন আদৰ্শ বিদ্যালয় উদ্বোধন কৰে। প্ৰথমতে তেওঁ তেজপুৰ-ঘগৰা আৰু ৰূপাজুলি চাহ বাগিচাত দুখন আদৰ্শ বিদ্যালয়ৰ শুভ উদ্বোধন কৰে। সোনাজুলি, নাহাৰানী আৰু ফুলবাৰী চাহ বাগিচাৰ আন বিদ্যালয়সমূহো তেওঁ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে মোৰ আশা আৰু বিশ্বাস আছে যে এই বিদ্যালয়সমূহত উন্নতমানৰ শিক্ষা লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ তথা অসমৰ নাম উজ্জ্বল কৰিব। আমাৰ বাবে এয়া এক আশাৰ বতৰা যে ৯৬টা চাহ বাগিচা এলেকাত নৱনিৰ্মিত এই আদৰ্শ বিদ্যালয়কেইখনত এইপৰ্যন্ত ১৪, ৫৯৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। তেওঁৰ লগতে এই অনুষ্ঠানসমূহত মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱলোচন দাস, বিধায়ক কৃষ্ণকমল তাঁতী, পৃথিৰাজ ৰাভা, গণেশ লিম্বু, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ উপাধ্যক্ষ তুলসী বৰঠাকুৰ, শোণিতপুৰ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰী তথা স্থানীয় ৰাইজ উপস্থিত আছিল।

# কটনৰ বাকৰিত এসন্ধ্যা

ৰঙিলী বাৰ্তাসেৱা- ঐতিহ্যমন্দিত কটন কলেজৰ বচ্চসংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কটন কলেজ প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ উদ্যোগত আৰু কটন বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত কটনৰ বাকৰিত এটি অন্তৰংগ তথা মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অৱনী কুমাৰ চৌধুৰী, ৰবীন কলিতা আৰু ইন্দ্ৰজিৎ দাসে আঁত ধৰা অনুষ্ঠানৰ প্ৰাৰম্ভণিতে পতাকা উত্তোলন কৰে শতায়ু গৰকা কটনিয়ান, প্ৰাক্তন গাণনিক বিষয়া আব্দুল ৰাহিদে। তাৰ পাছতে বন্তি প্ৰজ্বলন কৰে সন্থাৰ উপদেষ্টা ইন্দ্ৰ মোহন ভট্টাচাৰ্যই। অনুষ্ঠানত ৯০ৰ উৰ্ধৰ প্ৰাক্তন কটনিয়ানৰ ভিতৰত শতায়ু গৰকা প্ৰাক্তন কটনিয়ান আব্দুল ৰাহিদক গামোচা, চেলেং চাদৰ, ফুলৰ থোপা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতে ৯০ উৰ্ধৰ প্ৰাক্তন কটনিয়ান শিক্ষাধিকাৰ হৰেকৃষ্ণ গায়ন, প্ৰাক্তন কৃষি সঞ্চালক ড° অমিয় মোহন দাস, প্ৰাক্তন অধ্যাপক ড° উপেন্দ্ৰ নাথ শৰ্মা, প্ৰাক্তন প্ৰাথমিক শিক্ষা সঞ্চালক নগেন গোস্বামী, প্ৰথিতযশা শিল্পী ড° লক্ষ্যহীৰা দাসক গামোচা, চেলেং চাদৰ, ফুলৰ থোপাৰে সম্বৰ্ধনা জনোৱা হয়। সমালোচক ময়ূৰ বৰাই কটন কলেজৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হোৱা অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই 'স্বৰ্নিল যাত্ৰা' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। স্মৃতিগ্ৰন্থ সম্পাদনা কৰে মনজিৎ সিং আৰু শৈলেন কলিতাই। তিলোত্তমা বৰুৱা, ড° ৰূপালী ফুকন, ড° সংগীতা কাকতি, কুইন দাস আৰু তৃষা দেৱীৰ নেতৃত্বত কেইবাজনো কটনিয়ালে আৰম্ভণি গীত পৰিৱেশন কৰা অনুষ্ঠানত মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত



হয়। বিভিন্ন স্থানৰ পৰা কটনিয়ানসকলে স্মৃতি ৰোমন্থন কৰি আবেগিক হৈ পৰে সন্ধিয়াৰ ভাগত কবিতাৰ লগতে গৱেষণা গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰাক্তন কটনিয়ান তথা কলিয়াবৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা ড° বৰ্ণালী কাকতিৰ গ্ৰন্থখন কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ভবেশ চন্দ্ৰ গোস্বামীয়ে। কেইবাজনো প্ৰাক্তন কটনিয়ান শিল্পীয়ে গীত মাত পৰিৱেশন কৰে।

# ভাইৰেল হৈ পৰিছে এগৰাকী প্ৰশাসনিক বিষয়াৰ কৰ্ম-সংস্কৃতিৰ নিদৰ্শন

ৰঙিলী বাৰ্তাসেৱা- ছচিয়েল মিডিয়াত ৰেড কাৰ্পেটৰ চৰ্চাৰ সময়তেই ফেচবুকত ভাইৰেল হৈছে কেইখনমান ফটো। ভাইৰেল হৈ পৰিছে এগৰাকী প্ৰশাসনিক বিষয়াৰ কৰ্ম-সংস্কৃতিৰ নিদৰ্শন। প্ৰশাসনিক বিষয়াগৰাকী হৈছে কাছাৰৰ জিলা উপায়ুক্ত কীৰ্তি জাল্লি। দুৰ্যোগৰ সময়ত দুৰ্গতৰ কাষত থিয় হৈ কাছাৰৰ উপায়ুক্ত কীৰ্তি জাল্লিয়ে দেখুৱালে কৰ্ম-সংস্কৃতিৰ নিদৰ্শন। বোকা-পানী গছকি নাৱত বানপীড়িত এলেকাৰ বুজ লোৱা উপায়ুক্তগৰাকীৰ ফটো বৰ্তমান ছচিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। উপায়ুক্ত গৰাকীয়ে বান পীড়িত এলেকাৰ পৰিস্থিতি বুজ লবৰ বাবে বোকা-পানীয়ে খোজ কাঢ়ি আন্তৰিকতাৰে নিজ কাৰ্য পালন কৰি গৈছে। খালি ভৰিৰে



বোকাত খোজ কাঢ়ি বানাক্ৰান্তৰ খবৰ লোৱা ফটোৱে ফেচবুকত চৰ্চা লাভ কৰিছে। উল্লেখযোগ্য যে, ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জাল্লিয়ে কৰ'না মহামাৰীৰ সময়ত নিজৰ বিবাহৰ বাবেও এদিনৰো ছুটি লোৱা নাছিল। দৰাক চৰকাৰী কোৱাৰ্টাৰলৈকে মাতি আনি বিয়াত বহিছিল। উপায়ুক্ত হোৱাৰ পিছতো তেওঁৰ এনে আন্তৰিকতাই সকলোৱা মন জয় কৰিছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত 'এ ব্ৰেইন ষ্টৰ্মিং চেচন এ ৰে ফৰৱাৰ্ড' অনুষ্ঠান

ৰঙিলী বাৰ্তাসেৱা- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় তথা বিশ্বৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে যাৱতীয় পৰিকল্পনা কৰাৰ বাবে বিশ্ববিদ্যালয়খনৰ গুৱাহাটী চৌহদত কালি 'এ ব্ৰেইন ষ্টৰ্মিং চেচন-এ ৰে ফৰৱাৰ্ড' অনুষ্ঠান অনুষ্ঠাত হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই পৰিচালনা কৰা এই কাৰ্যসূচীত অসম চৰকাৰৰ শৈক্ষিক উপদেষ্টা ড° ননী গোপাল মহন্তৰ লগতে বিভিন্ন ক্ষেত্ৰৰ অন্যান্য বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে। অধ্যাপক ননী গোপাল মহন্তই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা, সমগ্ৰ দেশজুৰি শংকৰদেৱৰ ভক্তি আন্দোলনৰ দৃষ্টান্তৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। তেওঁ উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় এন ই



পিৰ বিষয়েও উল্লেখ কৰাৰ লগতে চাহিদাৰ ওপৰত ভিত্তি কৰি সমসাময়িক বিষয়সমূহৰ দ্বাৰা অন্তৰ্ভুক্ত কৰি পৰম্পৰাগত পাঠ্যক্ৰমসমূহৰ সলনিৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। ইয়াৰ পূৰ্বে বিশ্ববিদ্যালয়খনৰ পৰিকল্পনা আৰু বিত্ত বিভাগৰ সঞ্চালক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই অংশগ্ৰহণকাৰীসকলক আদৰণি জনায় আৰু আশা কৰে যে এই আলোচনাই বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ বাবে অন্যান্য ৰণনীতি তৈয়াৰ কৰাত সহায় কৰিব। অনুষ্ঠানত জনপ্ৰিয় ইংৰাজী কাকত দ্য আচাম ট্ৰিবিউনৰ সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাৰ কথা মনত ৰাখি এই বিশ্ববিদ্যালয়খনৰ বাবে শান্তি নিকেতন মডেলৰ পৰামৰ্শ দিছিল। অনুষ্ঠানত বি বৰুৱা কৰ্কট প্ৰতিষ্ঠান পৰিচালক ড° অমল চন্দ্ৰ কটকী, প্ৰতিষ্ঠিত লেখক, সমালোচক ময়ূৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকা, অসম দক্ষতা অভিযানৰ মেনেজিং ডাইৰেক্টৰ অনুৰাজ জৈন, ড° সুৰেশ নাথ, ড° মুকুলেশ বৰুৱা, ড° মৃণাল কুমাৰ বৰাৰ লগতে অন্যান্য জ্যেষ্ঠ অধ্যাপকসকলও অংশ লয়।

# মেয়ৰ- ডেপুটীসহ মিত্ৰজোঁটৰ পশ্চিম গুৱাহাটীৰ ১৫ জন পৰিষদক সম্বৰ্ধনা



ৰঙিলী বাৰ্তাসেৱা- অগপৰ পশ্চিম গুৱাহাটী বিধান পৰিষদৰ উদ্যোগত লখৰাৰ সমীপৰ সাউকুছি প্ৰগতিশীল সংঘৰ প্ৰাংগণত অনুষ্ঠিত এক অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ নৱনিৰ্বাচিত মেয়ৰ মৃগেন শৰণীয়া আৰু ডেপুটী মেয়ৰ স্মিতা ৰয়কে ধৰি পশ্চিম গুৱাহাটীৰ অগপ - বিজেপি মিত্ৰজোঁটৰ ১৫ জন পাৰিষদক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰীৰ আদৰণি ভাষণৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত সভাপতিত্ব কৰে পৰিষদৰ সভাপতি তথা পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। সভাত মুখ্য অতিথি হিচাপে ভাগ লৈ অগপৰ কাৰ্যকৰী সভাপতি আৰু অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই ভাষণ প্ৰসংগত পৌৰ নিগমৰ মিটজোঁটৰ আটাইকেইজন পাৰিষদক শুভেচ্ছা জ্ঞাপন কৰি অহা পাঁচ বছৰৰ বাবে তেওঁলোকৰ নিজ নিজ ৱাৰ্ডত সৰ্বাংগীন উন্নয়নৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ আহ্বান জনায় আৰু এইক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ সহায় -সহযোগিতা আগবঢ়োৱা হব বুলি ব্যক্ত কৰে। সভাত মেয়ৰ মৃগেন শৰণীয়াই ভাষণত চৰকাৰ - ৰাইজৰ যৌথ সহযোগত গুৱাহাটীৰ উন্নয়নৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰি যাব বুলি সদৰি কৰে। সভাত অগপৰ কেন্দ্ৰীয় কমিটীৰ সম্পাদক সুভাষ শৰ্মা, ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মনৰ উপৰি ৰাজেন চন্দ্ৰ মেধি, পৰেশ বৰুৱা, দিছপুৰ আৰু পূব গুৱাহাটীৰ অগপৰ দুয়োজন নৱনিৰ্বাচিত পৰিষদ আৰু অগপৰ তিনি শতাধিক কৰ্মী — সমৰ্থক উপস্থিত থাকে।

# নাৰেঙ্গীত তুলিকা নৃত্যাঞ্জলি কলাকেন্দ্ৰ উদ্বোধন

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ সাংস্কৃতিক জগতৰ সৈতে দীৰ্ঘদিনৰ পৰা জড়িত তুলিকা ভূঞা বৰুৱাই আগ্ৰহী শিক্ষাৰ্থী সকলৰ অনুশীলনৰ প্ৰশিক্ষণৰ সুবিধাৰ লগতে তেওঁলোক এই ক্ষেত্ৰত একো একোজন বিশাৰদ হ'ব পাৰে তাৰ বাবে গুৱাহাটীৰ নাৰেঙ্গী বীৰকুছিস্থিত মাৰীয়া পাব্লিক স্কুলৰ সমীপত স্থাপন কৰিছে 'তুলিকা নৃত্যাঞ্জলি কলাকেন্দ্ৰ' নামৰ এটা প্ৰশিক্ষণ কেন্দ্ৰ। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে কেন্দ্ৰটো উদ্বোধন কৰে পদ্মশ্ৰী ঘনকান্ত বায়নে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত পদ্মশ্ৰী ঘনকান্ত বায়নে কয় অসমত সত্ৰীয়া নৃত্যৰ যিটো অৱস্থা হৈছে এনেকৈ থাকিলে দহ বছৰত সত্ৰীয়া নৃত্য অসমৰ পৰা নাইকীয়া হ'ব। গতিকে সত্ৰীয়া নৃত্যৰ প্ৰকৃত স্বৰূপ ধৰি ৰাখি যদি নৃত্য কেন্দ্ৰ স্থাপন কৰা হয় তেতিয়াহে সত্ৰীয়া নৃত্যই প্ৰসাৰ লাভ কৰিব বা ভৱিষ্যতে বৰ্তি থাকিব। আনহাতে তুলিকা ভূঞা বৰুৱাৰ আদৰণি ভাষণৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত গুৰু গোপাল কৃষ্ণ গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, সংগীত শিল্পী মনীষা হাজৰিকা, শান্তা উজীৰ, শিল্পী মেঘৰঞ্জনী মেধি, মঞ্জুলা হাজৰিকা, মাইনী মহন্ত, জীমনি চৌধুৰী, ৰুমী ভূঞা দত্ত, ড° অন্বেষা মহন্ত, অনিৰ্বাণ দাস, আইলৰ মহা প্ৰবন্ধক অবিন্দম বৰুৱা, ডাঃ তানিসা বৰুৱাকে ধৰি সাংস্কৃতিক জগতৰ লগত জড়িত কেবাজন পুৰোধা ব্যক্তি উপস্থিত থাকি ভাষণত এনেধৰণৰ নৃত্য প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা বাবে তুলিকা ভূঞা বৰুৱাৰ শলাগ লয়।

# ধৰ্ম কুণ্ডলীৰ মাজত নাৰী - পূৰ্ণ আকাশৰ সন্ধানত

**ববিতা বৰঠাকুৰ, কুৱালগুৰি**




পবিত্ৰ জেঠ মাহ, চাৰিওফালে হৰিনামৰ ধ্বনি, শংকৰদেৱৰ নীতি আদৰ্শত প্ৰতিষ্ঠা হোৱা নামঘৰ, সত্ৰসমূহ হ'ল অসমীয়া জন জীৱনৰ একতা, সমন্বয় আৰু ভ্ৰাতৃত্বৰ মিলন ক্ষেত্ৰ । ক'ভিড -১৯' মহামাৰী ধনহলীলাৰ পিছত বানপানী, গৰা খহনীয়া অসমৰ প্ৰায় সকলো জিলা বুৰাই পেলাইছে। নেৰানেপেৰা বৰষুণত স্তব্ধ হৈ পৰিছে জন জীৱন, তাৰ মাজতে অসমীয়া সমাজে সম্পূৰ্ণ অধ্যাত্মিক সত্তাৰে -কীৰ্তন প্ৰসংগৰে প্ৰকৃতিক শান্ত কৰা কামনা কৰিছে । বিশ্বৰ শৃংখলা ৰক্ষা কৰাই ধৰ্ম, ব্যাপক অৰ্থত 'ধৰ্ম' হ'ল 'সকলোবোৰ নৈতিক সদ্ গুণ' । আনহাতে, এইখন অসমতে ধৰ্মৰ নামত কন্যা শিশুক বলি দিয়া, ভূমিষ্ঠ হোৱাৰ লগে লগেই কন্যা সন্তানক হত্যা ইত্যাদি ঘটনাই প্ৰতি গৰাকী নাৰীক সৰ্প কুণ্ডলীৰ দৰে মেৰিয়াই শ্বাসৰুদ্ধ কৰিছে । নাৰীক মানৱ জাতিৰ 'মাতৃ' বুলি কোৱা হয় । অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীয়ে এক উচ্চ স্থান লাভ কৰিছিল । হৰপ্পা সভ্যতাত মাতৃ পূজাৰ প্ৰচলন আছিল। জানিব পৰা মতে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য-এই তিনি জাতিৰ নাৰীয়ে বেদ অধ্যয়ন কৰিছিল। সেই সময়ত নাৰী বেদৰ মন্ত্ৰদ্ৰষ্টা হিচাপে কবি, তাপসী, ব্ৰহ্মচাৰিণী, বৃক্ষবাদিনী ৰূপত নিজকে চিনাকি দিবলৈ সক্ষম হৈছিল । সেই সকলৰ বিদুষী নাৰীৰ ভিতৰত বিশ্ববৰা, আত্ৰেয়ী, অপলা, ঘোষা, লোপামুদ্ৰা, কাক্ষীৱতী, নীভাবৰী, ৰোমাশা, শ্ৰদ্ধা, উৰ্বশী আদি । বাল্মিকী আৰু অগ্যস্ত মুনিৰ আশ্ৰমত বহুত নাৰীয়ে শিক্ষা গ্ৰহণ কৰিছিল । ঋক বেদৰ মতে "অগ্নি যেনেদৰে পবিত্ৰ, স্বামীৰ দ্বাৰা সন্মানিতা পত্নীও তেনেদৰেই পবিত্ৰ" সেই সময়ত নাৰীৰ শিক্ষাৰ লগতে বৈবাহিক স্বাধীনতা আছিল। যৌতুক প্ৰথা, সতী যোৱা প্ৰথা বৈদিক যুগত নাছিল ।

লাহে লাহে বৈদিক সমাজ ব্যৱস্থাত নাৰীৰ সামাজিক মৰ্যদাৰ গৰা খহনীয়া আৰম্ভ হয় । ক্ৰমে ধৰ্মসূত্ৰ আৰু মনু সংহিতাৰ দিনত নাৰী স্থান আৰু নিম্নগামী হয় । বিশেষকৈ প্ৰশাসনিক, সামৰিক, কৃষি উৎপাদনত পুৰুষ প্ৰাধান্যতাই নাৰীৰ অধিকাৰক অধিক সংকুচিত কৰিলে । হিন্দু সমাজৰ আইন প্ৰণেতা হিচাপে আখ্যা দিয়া মনুৰ মতে "নাৰী পুৰুষৰ অধীন" । তেওঁৰ মতে কোনো নাৰীয়ে শাস্ত্ৰৰ নিয়ম উলংঘা কৰিব নাপায়। মহাকাব্য যুগত সীতাৰ অগ্নি পৰীক্ষা, দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, পাণ্ডুৰ মৃত্যুত পত্নী মাদ্ৰী সতীদাহ, গান্ধাৰী স্বামী ভক্তি আদি পুৰুষতান্ত্ৰিক সমাজৰ পৰিচয়।

*(আঠপৃষ্ঠাত চাওক)*

# জীৱন যুঁজ

**সুশান্ত দাস, শিৱসাগৰ**



কষ্টসহিযুও মানসী আজি ভাগৰুৱা হৈ পৰিছে। নিত্যনতুন প্ৰযুক্তিৰ উদ্ভাৱনে তাইৰ ব্যৱসায়ত সংকট আনিছে। ৰুগীয়া স্বামীক শুশ্ৰূষা কৰিবলৈ আছে মাথোঁ জীৱনসম্বল স্বৰূপ এটি বিস্কুটৰ ব্যৱসায়। অনেক মহিলা তাত জড়িত হৈ আছে আৰু তাই হৈছে সকলোৰে আশা। হাতেৰে পেকিং কৰা, বিস্কুট তৈয়াৰ কৰা ইত্যাদিৰ বাবে বহুতো কামত বহুতো মহিলাক কামত নিযুক্তি দিব লগা হৈছে। ইফালে ঘৰত ৰুগ্ন স্বামীক চোৱাৰ দায়িত্ব ; এইবোৰ কামৰ চাপত তাই হৈ পৰিছে এক যন্ত্ৰ। নিতৌ নতুন প্ৰযুক্তিৰ উদ্ভাৱনে তাইৰ ব্যৱসায়ৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে, আৰু তাইৰ বিস্কুটৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে কমি আহিছে। আৰ্থিকভাৱেও তাই দুৰ্বল হৈ আহিছে। সহায় কৰিবলৈও কোনো নাই। এজনী মহিলা হৈ অন্য মহিলাৰ কষ্ট বুজাৰ বাবেই বিস্কুটৰ ব্যৱসায়তো বন্ধ কৰিবও পৰা নাই; কাৰণ তেওঁলোকেও এই ব্যৱসায়ৰ আশাতেই গৃহখন পোহ-পাল কৰি ৰাখিছে। মানসীৰ ওচৰত কোনো উপায় নাই, যেনে-তেনে কৰি সকলোকে দৰমহা দি সন্তুষ্ট কৰি ৰাখিছে। ৰুগীয়া স্বামীক পোহ-পাল দিয়াৰ বাবে অৰ্থৰ অভাৱতো ভুগিছে তাই। চৰকাৰৰ কোনো সাহায্যও তাই পোৱা নাই। মাথোঁ বিস্কুট আন ঠাইত বিক্ৰী কৰি পোৱা টকাকেইটাই ! আৰুতো উপায় নাই।। সমাজত প্ৰতিবন্ধকতা নেওচি তাই ওলাই গৈছিল বাবেই সমাজে তাইক সহায়ৰ হাত আগবঢ়োৱা নাই ; ঠাট্টা-মস্কৰাহে কৰে। তাইৰ কোনো সন্তান নাই। তাই এই জীৱন যুঁজত এজনী অকলশৰীয়া অবলা ! হঠাৎ এদিন এটা ভাল খবৰ আহিল। তাইৰ বিস্কুট ফেক্টৰীটোৰ খৰচ বহন কৰিবলৈ আগবাঢ়ি আহিছে এজন সুধী লোক। তাই খবৰটো পায়েই দৌৰি গৈ সকলো কৰ্মী মহিলাক খবৰটো দিলে। পাছত সেইদিনাই মানসীয়ে লগ কৰিলে মানুহজনক। মানুহজন বয়সস্থ আৰু এজন অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া। চাকৰি এৰা প্ৰায় চাৰি বছৰেই হ'ল কিন্তু বয়সে বুঢ়া কৰি আনিছে আৰু পুতেক কেইজনৰো নিজা উপাৰ্জনৰ পথ আছে। সেইবাবে ধনৰ বহুলাংশ স্বাৱলম্বী মানসীক দিব বিচাৰে। কথা হোৱাৰ পাছত মানসীৰ বেংক একাউণ্টত বহুখিনি টকা-পইছা সোমাল। তাই আনন্দত আত্মহাৰা হৈ ঘৰলৈ আহি ৰুগ্ন স্বামীক খবৰটো দিলে। ৰুগীয়া স্বামীয়ে সেই অৱস্থাতেই হাঁহি মাৰি তাইক উৎসাহিত কৰিলে। তাইৰ ব্যৱসায় ভাললৈ আহিল আৰু বৰ্তমান তাই এজনী ডাঙৰ স্বাৱলম্বী আৰু ধন-সম্পদ সম্পন্ন মহিলা।।

# সপোন

**বন্দিতা দেৱী**



পুৱতি নিশাৰ সপোনটিত
তোমাক লগ পাই
বুকুৰ কোনোবা কোণত
জাগিছিল এক মৰম ভালপোৱা
যাৰ বাবে মই সপোন
দেখিছিলো মাথো তোমাৰ হোৱা
কিন্তু পুৱাৰ সপোনটি যেন
সপোন হৈয়ে ৰ'ল
কাৰণ তুমি যে মোৰ সপোন হে কেৱল
বাস্তৱ নহয়।

# ক্ৰোধিত প্লাৱন

**নিতিস্মান দাস অষ্টম শ্ৰেণী**



পুনৰ বাৰ আহিল প্লাৱন,
সেমেকা হ'ল সকলোৰে মন।
প্ৰকৃতিক অপকাৰ কৰিছে অগণন,
সেই বাবে হেৰুৱাইছোঁ বহুতো জীৱন।
হেৰুৱালে কোনোবাই নিজৰ মাতৃ,
হেৰুৱালে কোনোবাই নিজৰ পিতৃ।
হেৰুৱালে কোনোবাই নিজৰ ভাইটি,
হেৰুৱালে কোনোবাই নিজৰ ভগ্নী।
হেৰুৱালে কোনোবাই নিজৰ মৰমৰ ঘৰ,
অন্ত যেন নাই এনে কথাবোৰৰ।
হঠাৎ যেন নোহোৱা হ'ল সেই পোহৰ,
মুকলি পথাৰ এতিয়া হ'ল সাগৰ।
শিশু সকলৰ বিদ্যালয় যেন প্লাৱনে ভৰে,
শিশু সকলৰ ভৱিষ্যতক অন্ধকাৰে আৱৰে।
কল্কিৰ ৰূপে যেন প্লাৱন আহিছে,
নে ! প্ৰকৃতি আই ক্ৰোধিত হৈছে।
মানৱে যেন পাহাৰ-ভৈয়াম কৰিছে মৰুভূমি,
সেউজীয়া ৰঙক যেন দিছে আঘাত হানি।
প্লাৱনৰ সেই সোঁতে যেন কিবা কথা কৈছে,
যেন ! মানুহ এতিয়া দুস্কৰ্মী হৈছে।
চকুলোৰ যেন অন্ত নাই,
কান্দোনেৰে যেন আপোন জনক হেৰুৱাই।
প্ৰকৃতি আই তুমি নহবা চিন্তিত,
তোমাক জীয়াই ৰাখিম, নহবা ক্ৰোধিত।
জাগা হে জাগা মোৰ প্ৰিয় বিশ্ববাসী,
প্ৰকৃতিক জীয়াই ৰখাৰ দিওঁ প্ৰতিশ্ৰুতি।

# গুৱাহাটীৰ ৰেডিছন ব্লুত

প্ৰচেষ্টা অব্যাহত ৰাখিছে। এক্ট ইষ্ট পলিচীৰ সাৰ্থক ৰূপায়ণৰ দিশত অধিক ক্ষিপ্ৰতাৰে আগুৱাই যোৱাৰ লক্ষ্যৰে এই কনক্লেভৰ আয়োজন কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- এই সন্মিলনে অসমৰ ভৌগোলিক খণ্ডক আছিয়ান দেশসমূহৰ সৈতে অৰ্থনৈতিক সহযোগিতা, যোগাযোগ, বাণিজ্য আৰু বিনিয়োগ শক্তিশালীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট পলিচীৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব প্ৰদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- প্ৰধানমন্ত্ৰী মোদীৰ গতিশীল আৰু দূৰদৰ্শী নেতৃত্বত ২০১৪ চনৰ পৰা উত্তৰ-পূৰ্বত দ্ৰুত পৰিৱৰ্তন সম্ভৱ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পই আজি উত্তৰ-পূবক আছিয়ান দেশসমূহৰ দুৱাৰমুখ হিচাপে পৰিগণিত কৰাৰ পথ প্ৰশস্ত কৰিছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে আছিয়ান দেশসমূহৰ সৈতে উত্তৰ-পূবৰ ভৌগোলিক দূৰত্ব যথেষ্ট কম। ম্যানমাৰ, চীন, ভুটান, নেপাল আৰু বাংলাদেশৰ সৈতে অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ দূৰত্ব ৫, ৩০০ কিলোমিটাৰতকৈও কম। যোৱা ৭-৮ বছৰত আছিয়ান দেশসমূহৰ সৈতে ভাৰতৰ যোগাযোগ দ্ৰুতগতিত বৃদ্ধি পাইছে। যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ সমান্তৰালকৈ আইন-শৃংখলাৰ দিশটো যথেষ্ট উন্নয়ন হৈছে। ইয়াৰ বাবে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমাত আইন প্ৰত্যাহাৰ কৰা হৈছে। ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন উয়ে কুয়েনে উত্থাপন কৰা বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূব আৰু বহিঃৰাজ্যৰ জনসাধাৰণৰ সা-সুবিধাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰ সম্প্ৰসাৰণৰ বাবে ছিংগাপুৰৰ সহযোগিতা বিচাৰে।

# নীতি নিৰ্দেশনা জাৰি

বাজেটে সামৰি নালোৱো প্ৰাকৃতিক দুৰ্যোগ, সংঘৰ্ষ তথা দুৰ্ঘটনাগ্ৰস্ত লাকেক আৰ্থিক সাহায্য প্ৰদানৰ বাবে ব্যৱহাৰ কৰা হ'ব ।তদুপৰি, জনসাধাৰণৰ বাবে অসাধাৰণৰ সেৱা আগবঢ়োৱা লাকে, ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হাৱো ক্ৰীড়া, সংস্কৃতি তথা শৈক্ষিক জগতৰ সৈতে জড়িত লাকেলৈও এই পুঁজিৰ পৰা আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। লগতে নিয়মীয়া চৰকাৰী আঁচনিয়ে সামৰি নালোৱো ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠানলৈ কৰ্মশালা, আলাচেনা চক্ৰ তথা উৎসৱ আদি অনুষ্ঠিত কৰিবলৈও সাহায্য আগবঢ়োৱা হ'ব। ইয়াৰাপেৰি সামাজিক, সাংস্কৃতিক তথা শৈক্ষিক অনুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবেও আঁচনিখনৰ জৰিয়তে পুঁজি উপলব্ধ কৰা হ'ব। উল্লেখযাগ্যে যে, মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনিখন মুখ্যমন্ত্ৰীৰ সচিবালয়ে ৰূপায়ণ কৰিব আৰু ইয়াৰ বাবে পুঁজি মুখ্যমন্ত্ৰীৰ সন্মতিমৰ্মে অনুমাদেন জনাৱো হ'ব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।



# নৈ পৰীয়া ৰাইজৰ সপোন সোণোৱালী আৰু খেতিয়কৰ চহা জীৱন

বিৰিঞ্চি কুমাৰ বৰা, গোলাঘাট



"নৈ পৰীয়া" বা "নদী কাষৰীয়া" এই বাক্য টোৰ অৰ্থ বহুল ব্যাখ্যাতমক। যাৰ অৰ্থ এশাৰী বা দুষাৰি বাক্য ত লিখি সমাপ্তি ঘটাব নোৱাৰি। এই বাক্য টোত সোমাই আছে বিশেষ কৈ নদী পাৰত বসবাস কৰা প্ৰতিজন খেতিয়কৰ এক সপ্নময় জীৱন। এই প্ৰতিটো জীৱনত থাকে দেশ সেৱা, এখন নতুন সমাজ গঢ়াৰ প্ৰচেষ্টা, চিন্তা, এজন সঁজ নাগৰিক ৰূপে পৰিচিত হৈ ৰাইজৰ মাজত ভোতাতৰা দৰেই জিলিকি উঠা তথা সমাজৰ হিতৰ বাবে, আন দহ জনৰ প্ৰেৰণা তথা নিদৰ্শন হৈ নিজৰ পৰিচয় সমাজত ৰাখি থৈ যোৱা। প্ৰতি বছৰে জুৰুলা কৰি যোৱা প্ৰতিখন নদীৰ বানপানীয়ে এই নৈ পৰিয়া ৰাইজৰ মাজত জীৱন পৰিচালনাৰ আতংকৰ উৎস তথা বাধাৰ সৃষ্টি হৈ আহিছে। ইয়াৰ সমান্তৰালভাৱে নদী সমূহে বিশেষকৈ বাৰিষাকালত ৰাইজৰ চকুৰ টোপনি নাইকীয়া কৰি প্ৰতি বছৰে শ শ বিঘা কৃষি ভূমি, ঘৰ দুৱাৰ, ৰাস্তা ঘাট, দোকান বজাৰ, মঠ মন্দিৰ, দেৱালয়, দলং, স্কুল, কলেজ, অফিচ কাচাৰী খহাই নি বহ্মপুত্ৰ কে ধৰি অনান্য নদী সমূহে নদীৰ বুকুত লীন কৰি পেলাইছে। এই আতংক স্বৰূপ "গৰাখহনীয়া" ই প্ৰতি বছৰে নৈপৰীয়া ৰাইজৰ মাজত এক হেঙাৰ স্বৰূপ হৈ আহিছে। নৈ পৰীয়া এক মাত্ৰ জীৱন জীৱিকাৰ প্ৰধান পথ হৈছে কৃষি অৰ্থাৎ খেতি, সেই খেতি যেতিয়া মাটি দৰাত আৰম্ভ কৰি পৰিয়াল পৰিকল্পনাৰ বাবে ভবিষ্যতৰ কল্যাণৰ যি সপোন দেখে সেই সপোন এই গৰাখহনীয়া তথা বানপানীয়ে ভাঙি চুৰ মাৰ কৰি জীৱন যুঁজত বাধাৰ সৃষ্টি হৈ আহিছে। বানপানীয়ে যিদৰে ধ্বংস কৰে তাৰ পৰিপ্ৰেক্ষিতত নদী কাষৰীয়া অঞ্চলত ৰাইজক এক সোণোৱালী জীৱন তথা আশা ৰ বতৰা বিলাই দি যায়। পানী শুকাই যোৱা পাছত নৈ পৰিয়া ৰাইজে পানীত অহা মাছ পুঠি ধৰি খাই তিপ্ত লাভ কৰা দেখা যায়। ইয়াৰ উপৰিও বানপানীয়ে ঘৰ বাৰিত থকা লেতেৰা জাবৰ জুথৰ বোৰ উটুৱাই নিয়াৰ ফলত পৰিৱেশ নিকা কৰণত এক সুকীয়া বৈশিষ্ট্য দেখা দিয়ে আৰু বানপানীয়ে কৃষি ভূমি বোৰত পলস পেলাই দি মাটিবোৰ খেতিৰ উপযোগী কৰি তুলি উৎপাদন অধিক মজবুট হোৱাত অৱদান আগবঢ়াই আহিছে, ইয়াৰ উপৰিও নদী সমূহৰ এটা

(আঠপৃষ্ঠাত চাওক)

# হৃদয় চুই যোৱা কাহিনী

(সংগৃহীত) -যোগেশ্বৰ গোস্বামী



কেৱল নিদানপত্ৰত ঔষধ লিখি দিলেই নহ'ব, সেই ঔষধ কিনি খোৱাৰ সামৰ্থ্য ৰোগীৰ আছেনে নাই ডাক্তৰে সেইটোও চাব লাগিব।'

পদ্মশ্ৰী ডাঃ ৰবি কান্নান নিজৰ ল'ৰা সন্তানক বন্ধকত থৈ নিজৰ চিকিৎসা কৰোৱা ৰোগীৰ দুৰৱস্থাই বদলি কৰি দিলে Dr. Rabi Kannan ৰ জীৱন। ডাঃ কান্নানৰ ভাষাতে 'ঘটনাটো সৰু যেন লাগিব পাৰে কিন্তু তেনে পৰিস্থিতিবিলাকৰ সন্মুখীন নহ'লে জীৱনটোক বুজিবই নোৱাৰিলোঁ হেঁতেন। সাধাৰণ এজন চিকিৎসকেই হৈ থাকিলোঁ হেঁতেন।' কেন্সাৰ ধৰা পৰিছিল ধৰ্মনগৰৰ ৰমেশ সূত্ৰধৰ নামৰ এজন লোকৰ। কাছাৰ কেন্সাৰ হচপিটালত চিকিৎসা চলিছিল তেওঁৰ। ধৰ্মনগৰৰ পৰা বাৰে বাৰে শিলচৰলৈ অহা-যোৱা, থকা-খোৱা আৰু চিকিৎসা কৰোঁতে সৰ্বস্ৰান্ত হৈ পৰিছিল ৰমেশ।

২০০৮ চনত শেষ ড'জটো লোৱাৰ পিছত চিকিৎসক কান্নানে যেতিয়া পৰৱৰ্ত্তী ড'জটোৰ তাৰিখ লিখিবলৈ লৈছিল তেতিয়া ৰমেশে কান্দিবলৈ ধৰিলে। হাতযোৰকৈ ক'লে 'আৰু তাৰিখ নিদিব'। তেওঁৰ পত্নীৰ চকুতো পানী।

আচৰিত হৈ ডাঃ কান্নানে কাৰণটো জানিবলৈ বিচৰাত ৪৫ বছৰীয়া দিন হাজিৰা কৰা ৰমেশে ক'লে 'এইবাৰেই আহিবলৈ বিচৰা নাছিলোঁ। কেনেকৈ আহিম? কিমান দিন ধৰি কাম-কাজ বন্ধ। সব বিক্ৰী কৰি চিকিৎসা কৰিছোঁ, সন্তানক বন্ধকত থৈছোঁ। এতিয়া কেৱল থকা ঘৰটোহে আছেগৈ।' সেই দিনাই কান্নানে বুজিব পাৰিছিল যে কেৱল ঔষধ লিখি দিলেই নহ'ব। সেইখিনি কিনি খোৱাৰ সামৰ্থ্য ৰোগীৰ আছেনে নাই সেইটোও চাব লাগিব। ৰোগীৰ সামৰ্থ্য নাথাকিলে ব্যৱস্থা কৰি দিব লাগিব। ৰমেশৰ ঘটনাটোৱে চ'চাইটিৰ দ্বাৰা পৰিচালিত হৈ থকা চিকিৎসা ব্যৱস্থাত পৰিৱৰ্তন আনিলে। আৰম্ভণিতে ৰোগীৰ তথ্য পঞ্জী লিপিৱদ্ধ কৰাৰ ব্যৱস্থা কৰা হ'ল। ৰোগীৰ নিজৰ বা পৰিচিত লোকৰ ফোন নম্বৰ ৰখা হ'ল। নিৰ্ধাৰিত দিনত চিকিৎসাৰ বাবে ৰোগী নাহিলেই হচপিটালৰ পৰা ফোন যায়, ৰোগীজন কিয় নাহিল। কি সমস্যা? সমস্যাটো দ্ৰুতভাৱে সমাধান কৰি ৰোগীক হচপিটাললৈ অনাৰ দায়িত্ব লয় হচপিটাল কৰ্তৃপক্ষই। শিলচৰৰ মানুহে চ'চাইটি গঠন কৰি চান্দা তুলি গঢ়ি তুলিছে 'কাছাৰ কেন্সাৰ হচপিটাল চ'চাইটি'। ২০০৬ চনত ডাঃ কান্নান চেন্নাইৰ পৰা শিলচৰলৈ আহে। এতিয়া তেৱেঁই ডাইৰেক্টৰ। সঠিক হিচাপ জনা নগ'লেও বহুতে কয় যে এতিয়ালৈকে ডাঃ কান্নানে তাত সাত হাজাৰতকৈও অধিক ৰোগীৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰিছে, ৰোগীৰ পৰা এটকাও নোলোৱাকৈ। সেই কাৰণেই তেওঁ পদ্মশ্ৰীৰ বাবে নিৰ্বাচিত হৈছে।

বহুজনে কয় যে, এতিয়াও ডাঃ কান্নানে চ'চাইটিৰ পৰা যি বেতন লয় সেয়া এজন সাধাৰণ এম বি বি এছ ডাক্তৰতকৈ অধিক নহয়। ডাঃ কান্নানে ভাবে যে ৰমেশেই তেওঁলৈ পদ্মশ্ৰী কঢ়িয়াই আনিলে। বাৰ্তাটো যিমান পৰা যায় বিয়পি পৰক। জাগ্ৰত হওক সকলোৰে বিবেক।

# ভাল দিন


লক্ষী প্ৰসাদ ৰেগন



ভাল দিন ভাল সময়
ফুল ফল হৈ পকী সৰি গ'ল। এতিয়া আছে মাথোঁ
গছজোপা আলেঙে আলেঙে
তুমি মই পলমকৈ আহিলোঁ
পৃথিৱীৰ দুখবোৰ বুকু পাতি ল'বলৈ। এতিয়া কি কৰোঁ
সময়বোৰ একে আছে। দিনৰ পাছত ৰাতি
ৰাতিৰ পাছত দিন
মাজতে প্ৰৱেশ ঘটিছে সময়বোৰ আউল লগোৱা- সময়ৰ
সেয়ে সমস্ত সময়ৰ লঘু লাঞ্ছনা আজি
এতিয়া মোক ক'ব পাৰিবা না তোমাক ক'ব পাৰোঁ
আমিতো একেখন নাঁৱৰে সহযাত্ৰী
ইজনে সিজনক অনুভৱ কৰি
অপেক্ষা কৰোঁ আহা
এটা ভাল দিনৰ। য'ত নাথাকিব আতঙ্কৰ ঢৌ

# বৃদ্ধাশ্ৰম

কণিকা মজুমদাৰ বৰদলৈ
ডিব্ৰুগড়



মই কেতিয়াও
বিচৰা নাচিলো
সকলোকে এৰি যাবলৈ
সময়ে যে লৈ গ'ল
মোক বৃদ্ধাশ্ৰমলৈ ।
সোণৰে পঁজাটিক বিদায় দি
ওলালো চিৰদিনলৈ
সময়ে যে লৈ গ'ল
মোক বৃদ্ধাশ্ৰমলৈ ।
মৰম-চেনেহবোৰ
কেনেকৈ পাহৰি যাওঁ
দুখ-বেদনাৰে
আজি আগুৰাওঁ।
হৃদয়ে মৰমৰ মাত বিচাৰে
অতীতৰ কথাই
মোক হতাশা কৰে ।
সকলোৰে যেন মই অৱহেলিত
পাহৰি গ'ল, মই যে জীৱিত।
শাৰিৰীক ভাৱে, আৰ্থিক ভাৱে
মই যে অক্ষম,
সেয়ে মোৰ স্থান হ'ল
আজি বৃদ্ধাশ্ৰম ।




তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

# ধৰ্ম কুণ্ডলীৰ মাজত নাৰী

ভাৰতীয় হিন্দু সমাজে সীতা, সাবিত্ৰী, আহল্যা, দ্ৰৌপদী, তাৰা, মনন্দোদৰী চৰিত্ৰক সন্মান কৰে কিয়নো তেওঁলোক পতিব্ৰতা নাৰীবৌদ্ধ যুগত নাৰীৰ সামাজিক মৰ্যদা পৰৱৰ্তী বৈদিক যুগতকৈ কিছু পৰিমানে লাঘৱ হৈছিল । ধৰ্মীয়, অৰ্থনৈতিক দিশত পুৰুষ প্ৰাধান্যই নাৰীক দুৰ্বল হ'বলৈ বাধ্য কৰিছিল । বৌদ্ধ ধৰ্মৰ দৰে জৈন ধৰ্মটো অসংখ্য সৈন্যাসিনী আছিল। জৈন গ্ৰন্থ সমূহত 'মাতৃ'ক সন্মানীয় ব্যক্তি হিচাপে গণ্য কৰিছিল । এওঁলোকৰ মাজতো পৰ্দা প্ৰথা, বহু পত্নীবিবাহ প্ৰচলন আছিল ।

সমাজ গতিশীল, সময়ৰ লগে লগে নাৰীৰ সামাজিক মৰ্যদা পৰিৱৰ্তন হয়। মৌৰ্যযুগৰ ইতিহাস নিৰ্ণয়ৰ মুখ্য চানেকি কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' ত নাৰী শিক্ষা, সংস্কৃতিৰ লগতে সামৰিক শিক্ষাত সুকীয়া পৰিচয় আছিল বুলি জনা যায়।

উনবিংশ শতিকাত সতীদাহ প্ৰথা বিলুপ্তি, বিধবাৰ পুনৰ বিবাহ, কন্যা ভ্ৰূণ হত্যা ৰোধ, কুমাৰী বিবাহ নিষিদ্ধ আদি ধৰ্মীয় কুপ্ৰথা সমূহ দূৰ কৰিবলৈ সংস্কাৰ আন্দোলন আৰম্ভ হয়। পণ্ডিতা ৰামাবাঈ, বেগম ৰোকেয়া চাখাবাৎ হুছেইন দৰে নাৰীৰ সবল নেতৃত্বই নাৰী মুক্তি আৰু নাৰীশিক্ষা বিস্তৃৰত সুন্দৰ পথৰ সন্ধান দিয়ে ।

ইছলাম ধৰ্মই ভগৱানৰ উপাসনা কৰাৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাক সমান স্থান দিছে যদিও কালক্ৰমত ইছলাম শ্বৰিয়ত আইন (Muslim shariat Law) ৰ দ্বাৰা নাৰীক ধৰ্মৰ দোহাই দি স্বতন্ত্ৰতাক নিয়ন্ত্ৰণ কৰিছে।

খ্ৰীষ্টান ধৰ্মই নাৰীক পুৰুষৰ অধীন হোৱাটো বিচাৰে । শিখ ধৰ্ম মতে নাৰী মাতৃ, পত্নী, কন্যা হিচাপে পালন কৰিবলগীয়া ভূমিকাহে বেছি গুৰুত্বপূৰ্ণ।

ধৰ্মই সৃষ্টি কৰা ৰীতি নীতিয়ে সমাজত নাৰীক সৰ্প কুণ্ডলীৰে মেৰিয়াই ৰাখে। কোনো কোনোৱে নিজকে ধৰ্মীয় গুৰু বুলি চিনাকি দি নাৰীক অস্পৃশ্য, অশুদ্ধ নাৰীক মূল ধৰ্ম গৃহত প্ৰৱেশ কৰা নিষিদ্ধ বুলি দাবী কৰে, সেয়েহে কেৰেলাৰ প্ৰাচীন আয়াপ্পাৰ সবৰিমালা মন্দিৰত দহ বছৰৰ পৰা পঞ্চাশ বছৰৰ মহিলাক প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাছিল । অৱশ্যে ২০১৮ চনত ২৮ ছেপ্টেম্বৰত উচ্চতম ন্যায়ালয়ৰ আদেশ মতে সকলো নাৰীক মন্দিৰত প্ৰৱেশত সু ব্যৱস্থা কৰা হয় । এতিয়াও আমাৰ অসমৰ বৰপেটা মূল কীৰ্তন ঘৰকে ধৰি বহু নামঘৰ, মন্দিৰ, মছজিদত নাৰীৰ প্ৰৱেশ নিষিদ্ধ কৰা হয় ।

পিতৃ প্ৰধান সমাজ ব্যৱস্থাত ধৰ্মীয় ৰীতি নীতিত পুত্ৰ সন্তানেহে অংশ গ্ৰহণ কৰিব পাৰে । বহু সমাজত কন্যা শিশুক ভগৱানৰ সন্তুষ্টিৰ বাবে অৰ্পণ কৰা হয়। ভাৰতৰ দেৱদাসী প্ৰথা, নেপালৰ ডাউকী ব্যৱস্থা আৰু নাইজেৰিয়া, টগো, ঘানা আদিত

ট্ৰকসী(Trokosy) ব্যৱস্থা অনুযায়ী পৰিয়ালৰ পুৰুষৰ পাপৰ প্ৰায়চিত্তৰ বাবে কন্যা এগৰাকী ভগৱানৰ নামত উচৰ্গা কৰা হয় । সেইদৰেই ডাইনী ব্যৱস্থা ধৰ্মীয় এক কু প্ৰথা । ভাৰতৰ পশ্চিম বংগ, অসমৰ কোনো কোনো অঞ্চলত ডাইনী প্ৰথা আছে, দক্ষিণ আফ্ৰিকা, উত্তৰ ট্ৰানচিলভেলিয়া আদি ৰাষ্ট্ৰত কোনো নাৰীৰ লগত যৌন সম্পৰ্ক স্থাপন কৰিবলৈ অক্ষম হ'লে ডাইনী সজাই সেই নাৰীক হত্যা কৰা হয় । ধৰ্মৰ নামত শিশু হত্যা, নৰ বলি একবিংশ শতিকাৰ মানৱ সমাজৰ বাবে দুৰ্ভাগ্যজনক ।প্ৰসূতি নাৰীক অশুচি, ঋতুমতী নাৰী অস্পৃশ্য বুলি অৱহেলা কৰা হয়, স্বামী মৃত্যুৰ পিছত বিধবা নাৰীক ধৰ্মৰ নামতে মানসিক, শাৰীৰিক নিৰ্যাতন চলোৱা হয়। আনকি পুষ্টিকৰ খাদ্যৰ পৰাও বহু সম্প্ৰদায়ে বিধবা নাৰীক বঞ্চিত কৰে। সাজ -পাৰ পৰিধান কৰোঁতে ও মহিলাই ধৰ্মীয় অনুমোদন মানি চলিবলৈ বাধ্য হয়। আনহাতে, প্ৰাক্-শংকৰী যুগত মাতৃ-প্ৰধান অসমীয়া সমাজত দেৱী পূজা আছিল । কামৰূপৰ 'কামাখ্যা' আৰু শদিয়াৰ কেঁচাইখাতী গোসাঁনী প্ৰাক্-শংকৰী অসমত নাৰী শক্তিৰ পৰিচয় ।

শংকৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্ম আছিল পিতৃ-প্ৰধান সমাজৰ ধৰ্ম, এনে সামন্তবাদী সমাজৰ নাৰীৰ স্থান স্বাভাৱিকতেই গৌণ । অৱশ্যে শংকৰ দেৱৰ বৈষ্ণৱ আন্দোলনৰ মূল উদ্দেশ্য হ'ল এখন জাতি ধৰ্ম, বৰ্ণ লিংগ নিৰ্বিশেষে সাম্যবাদী সমাজ গঢ়ি তোলা।

পাঁচশ বছৰৰ আগতে শংকৰদেৱে ধৰ্ম চৰ্চাত ক্ষেত্ৰত নাৰী পুৰুষৰ একমতি' ৰ কথা কৈ নাৰীক উচ্চ আসনত প্ৰতিষ্ঠা কৰি গৈছে যদিও পুৰুষ তান্ত্ৰিক সমাজত নাৰী স্থান গৌণ কিয়নো পুৰুষ আছিল অৰ্থনৈতিক নিয়ন্ত্ৰক ।শংকৰদেৱৰ 'পাৰিজাত হৰণ', 'ৰুক্মিণী হৰণ' 'পত্নী প্ৰসাদ' 'কেলিগোপাল' 'কালিয়দমন' 'ৰাম বিজয়' নাটকৰ নাট্যকাৰে ৰূপে নাৰীৰ মনস্তত্ব সুন্দৰকৈ প্ৰকাশ কৰিছে । শংকৰদেৱৰ দৃষ্টিত নাৰী প্ৰেৰণাদায়িনী, জ্ঞানদায়িনী, পৰামৰ্শদাত্ৰী,


পতিব্ৰতা, আধ্যাত্মিক শক্তি সম্পনা মোহময়ী, মহিমাময়ী চৰিত্ৰৰ গৰাকী বুলি প্ৰতিষ্ঠা কৰিছে। শংকৰদেৱৰ নাতি বোৱাৰীয়েক কনকলতাই সত্ৰ পৰিচালনা কৰাৰ অধিকাৰ পাইছিল। শংকৰ দেৱৰ প্ৰিয় শিষ্য মাধৱদেৱ ও তেওঁৰ সৃষ্টি সম্ভাৰত নাৰীৰ প্ৰতিভাক সন্মান জানাইছিল।

আমি জনামতে সকলো ধৰ্ম বা ধৰ্ম গুৰুৱে নাৰীক সন্মানসহ সম ন্যায়, মৰ্যদাৰ অধিকাৰকাৰ দিছে । কিন্তু সময়ৰ লগে লগে ধৰ্ম প্ৰচাৰক, পুৰুষতান্ত্ৰিক সমাজে নাৰীক ধৰ্ম কুণ্ডলীৰ মাজত আবদ্ধ কৰি পুৰুষ প্ৰভুত্ব বিস্তাৰৰ স্বাৰ্থত কৌশলগত ভাৱে প্ৰয়োগ কৰি আহিছে।

আমাৰ নাৰী সমাজৰ বিনম্ৰ প্ৰাৰ্থনা, যুগ যুগ ধৰি আবদ্ধ কৰি ৰখা নাৰী জাতিক ধৰ্ম কুণ্ডলীৰ পৰা মুক্তি দিয়ক ..। এখন বিশাল আকাশৰ তলত প্ৰজ্ঞাৰ সাধনাৰে বিজ্ঞান কাৰিকৰী জ্ঞানেৰেপুষ্ট হৈ বিশ্বায়নৰ মঞ্চত সুসভ্য নাগৰিক হিচাপে চিনাকি দিওঁতে 'সাৰ্বজনীন প্ৰেম' হওক ধৰ্ম।

# আশা

সংযুক্তা দত্ত
দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়



আশা এনেকুৱা এটা শব্দ যিটো শুনিলে আমাৰ সকলোৰে মুখ উজ্জ্বল হৈ উঠে, মন আনন্দত আত্মহাৰা হয়। আশা থাকে কাৰণে মানুহৰ জীৱন থাকে। মানুহৰ জীৱনটো সম্পূৰ্ণৰূপে আশাৰ ওপৰত নিৰ্ভৰশীল। আশাক লৈয়ে মানুহ জীয়াই থাকে। যদি আশা বুলি একো শব্দই নাথাকিলে হেতেঁন তেনেহ'লে আমাৰ সকলোৰে জীৱনবোৰ নিৰৰ্থক হৈ পৰিলেহেতেঁন। দুটি আখৰৰ এই শব্দটোত ইমানেই সকৰাত্মক শক্তি আছে যে যাৰ দ্বাৰা এজন অসুস্থ মানুহক সুস্থ কৰি তুলিব পাৰে, এজন বিফল হোৱা ব্যক্তিক সফল কৰি তুলিব পাৰে। আমাৰ সকলোৰে জীৱনত কিছুমান আশা থাকে। কিছুমানে কম সময়ত আশা কৰা মতে কাম কৰিব পাৰে। আৰু কিছুমানৰ হয়তো অলপ সময়ৰ প্ৰয়োজন হয়। আমি আমাৰ মৃত্যু সময়ৰ লৈকে কেৱল আমি আশাতে জীয়াই থাকো। মানুহৰ আশায়ে জীৱনত লক্ষ্য নিৰ্ধাৰণ কৰাতোঁ সহায় কৰে। আৰু এই আশাৰ দ্বাৰা মানুহ সফলো হয়। আশা মানেই হ'ল- ৰেঙণি, আশা মানেই হ'ল- পোহৰ। সেইকাৰণেই টো কোৱা হয় সকলো এৰিবা কিন্তু আশা নেৰিবা।

(অণুগল্প)

# পৰিপূৰক

অঞ্জুমণি শইকীয়া যোৰহাট



থৰকবৰক খোজেৰে নামঘৰলৈ যাওঁতে মানুহৰ জুমটো দেখি এখন হাত কঁকালত, আনখনে লাখুটিডালত ভৰ দি ৰৈ দিলে ।

"হএে, কি হৈছে অ' বোপাই? "

"মিটিং, আইতা।"

"বুজাই কচোন!"

"পোনাৰাম দাইটিৰ ছোৱালীজনী শহুৰেকৰ ঘৰৰ পৰা একেবাৰে গুচি আহিল-। "

পুনৰ খোজ দিলে । বোৱাৰীৰ দিনবোৰলৈ মনটো উৰা মাৰিল ।

"এৰা, মানুহবোৰৰ শিক্ষা কম আছিল। কিন্তু, বুজাপৰা ৰ মাজত সম্পৰ্কবোৰ জীয়াই আছিল -!"

# নৈ পৰীয়া ৰাইজৰ সপোন

প্ৰধান সহায় হল নদীসমূহৰ মাজৰে থকা জল্ পথৰ সুবিধা, এই জল পথৰ মাজৰে এচাম লোকে ফেৰী, নাওঁ, আৰু ব্যৱসায় আৰম্ভ কৰি জীৱন নিৰ্বাহ কৰি পৰিয়াল পোহপাল দি আছে। নদী কাষৰীয়া যিহেতু খেতি বাতি লগতে বেপাৰ বাণিজ্য কৰি পোহপাল দি ভৱিষ্যত প্ৰজন্মক এটা মুকলি শক্তিশালী পথ দেখুৱাই এজন সৎ নাগৰিক হিচাপে গঢ় দিয়া টো প্ৰতিজন ব্যক্তি বা পিতৃ মাতৃ তথা অবিভাৱকৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য, আৰু এই সমূহ গঢ় দিয়াত চৰকাৰ তথা জনপ্ৰতিনিধিৰ এক উল্লেখযোগ্য দায়িত্ব আৰু কৰণীয় আছে। চৰকাৰ তথা জনপ্ৰতিনিধিয়ে তেওঁলোকৰ কৰণীয় হিচাপে এই গ্ৰামাঞ্চল তথা প্ৰতি বছৰে বিস্তৰ ক্ষতি সাধন কৰি অহা নদী কাষৰীয়া ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰা বানপানী আৰু গৰাখহনীয়া এক গ্ৰহণ যোগ্য বিষয় হিচাপে লৈ গুৰুত্ব আৰোপ কৰি এক নিদিষ্ট সমাধানৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা লৈ নৈপৰীয়া তথা উঠি অহা যুৱ প্ৰজন্মৰ সপোনবোৰ বাস্তৱ ৰূপ দি আগুৱাই যোৱাত এক উল্লেখযোগ্য অৱদান আগবঢ়াই জীৱন যুঁজৰ সফল পৰীসমাপ্তি ঘটাব বুলি মই তথা সকলো আশাবাদী।। শেষত, পুনৰ বাৰ কওঁ যে এই নৈপৰীয়া তথা গ্ৰাম্যাঞ্চলত বাস কৰা প্ৰতিটো মূহুৰ্ত সঁচাই এক মধুৰ সৃষ্টি, সোণোৱালী, চিৰ সেউজ, তৃপ্তিময়, সৰ্গময়ী জীৱন, এই সকলৰ জীৱন আৰু অধিক মধুৰ আৰু উজ্জল হৈ পৰক তাৰে কামনা কৰিলোঁ।

।।ধন্যবাদ।।

# দৃঢ়তাৰ মেলি দুহাত

মাধুৰী শৰ্মা সভাপণ্ডিত



ভোক আৰু শোক
জীৱনৰ অনিৰ্বাপিত জুই।
শিখাৰ পোহৰত সেকি
মেলি দিলো দৃঢ়তাৰ হাত
ভৰি পৰিল-যুদ্ধ জিনাৰ গান।

# খিলঞ্জীয়া আৰু মিঞা মুছলমানঃ
## পৃথক জনগোষ্ঠীয় পৰিচয়ৰ প্ৰয়োজনীয়তা

ফখৰুদ্দিন আহমেদ

প্ৰায় আঢ়ৈ দশক মান পুৰ্বে অসমৰ বৌদ্ধিক মহলৰ মাজত বাংলাদেশমুলীয় অসমৰ মিঞা মুছলমান সকলৰ নামাকৰণ সম্পৰ্কত বিশেষ বিচাৰ বিশ্লেষণ চলিছিল। অৱশ্যে এই সম্পৰ্কত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই এই মিঞা সকলক তেখেতৰ কবিতাত " ন অসমীয়া" বুলি অভিহিত কৰি থৈ গৈছে। এই ক্ষেত্ৰত শেহতীয়াকৈ হোৱা আলোচনা পৰ্যালোচনাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমী বঁটা বিজয়ী বিশিষ্ট সাহিত্যিক ডঃ নগেন চন্দ্ৰ শইকীয়াই ভাগ লৈ এই জনগোষ্ঠীটোক "লৌহিত্য সম্প্ৰদায়" আখ্যা দিব লাগে বুলি মন্তব্য আৰোপ কৰিছিল। বিশেষকৈ লুইতৰ বুকুত গঢ়ি উঠা চৰ চাপৰি সমুহত বসবাস কৰাত অভ্যস্ত এই মিঞা জনগোষ্ঠীৰ লোক সকলক সমান্তৰাল ভাবে অভিবাসি মুছলমান, চাপৰিয়াল, চৰুৱা ইত্যাদি নামাকৰণো আন কিছুমানে কৰা দৃষ্টিগোচৰ হৈ আহিছে।

স্বাধীনতাৰ পূৰ্ব কালত অসমত গঠন হোৱা চৰকাৰৰ প্ৰথম প্ৰধান মন্ত্ৰী চাৰ চৈয়দ চাদুল্লাৰ পৃষ্ঠপোষকতাত অবিভক্ত ভাৰতবৰ্ষৰ মৈমনসিংহ জিলাৰ পৰা এই মিঞা জনগোষ্ঠীৰ মানুহ সকলক অসমলৈ কৃষি কৰ্মত নিয়োগ কৰিবলৈ আনিছিল। সেই সোঁত কম বেছি পৰিমাণে স্বাধীনতাৰ পিছত প্ৰথমে পুব পাকিস্তান আৰু তাৰ পিছৰ স্বাধীন বাংলাদেশ গঠন হোৱাৰ পিছৰ কালতো চলি থকাৰ কাৰণেই অসমত বিদেশী নাগৰিকৰ সমস্যাৰ সৃষ্টি হৈছিল। সেই সমস্যাৰ সমাধানৰ কাৰণে বিশ্ব খ্যাত অসমৰ অস্তিত্ব ৰক্ষাৰ নামত ছ বছৰীয়া আন্দোলন হ'ল, কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনৰ নেতৃত্ব লোৱা সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছুৰ মাজত চুক্তি হ'ল । কিন্তু বিদেশী সমস্যাৰ স্থায়ী সমাধান হোৱা দেখা নগ'ল। বৰঞ্চ সাম্প্ৰতিক সময়ত এই সমস্যাটি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলবোৰৰ বাবে ক্ষমতা দখলৰ এটি অন্যতম উৎসলৈহে পৰ্যবসিত হ'ল।

এই মিঞা জনগোষ্ঠীটোৰ এটি মন কৰিবলগা বৈশিষ্ট্য হৈছে এই জনগোষ্ঠীৰ অন্তৰ্গত মানুহবোৰ অতি কষ্ট সহিষ্ণু আৰু সংগ্ৰামী। পুৰ্বতকৈ শিক্ষিতৰ হাৰ বাঢ়িছে আৰু এওলোকৰ মাজত বুদ্ধিজীবি, শিক্ষাবিদ, সাহিত্যিক আৰু ৰাজনীতিবিদকে ভিতৰ কৰি সকলো ধৰণৰ বিশেষত্বৰ মানুহ পোৱা যায়। তুলনামূলক ভাবে অধিক সংখ্যক নিৰক্ষৰতাৰে ভৰপুৰ মিঞা জনগোষ্ঠীৰ মানুহবোৰৰ প্ৰথম পচন্দৰ বাসস্থান লুইতৰ বালিচৰ সমুহ বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। সেয়েই হয়তু এওঁলোকৰ মাজৰ পৰা সৃষ্টি হোৱা বুদ্ধিজীবি, শিক্ষাবিদ, সাহিত্যিক আৰু ৰাজনীতিবিদ সকলৰ প্ৰভাব নিৰক্ষৰ সমাজ ব্যৱস্থাত থকা দেখা পোৱা নাযায়। এই সকল বিশিষ্ট লোকে আধুনিকতাৰ পৰশত অসমৰ বিভিন্ন নগৰ চহৰত বাস কৰিবলৈ লোৱা আৰু তেওঁলোকৰ সমাজ ব্যৱস্থাৰ পৰা বাস্তৱ ক্ষেত্ৰখনিত আতৰি থকাৰ বাবে প্ৰায় ক্ষেত্ৰতেই এই মিঞা জনগোষ্ঠীৰ সকলে নিজৰ স্বভাবজাত কৰ্ম কাণ্ডৰে নিজকে অসংস্কৃতিবান বুলি পৰিচয় দি আহিছে। এই অসংস্কৃতিবান কৰ্ম কাণ্ডৰ বাবে একে নামৰ উপাধিধাৰী খিলঞ্জীয়া গৰীয়া, মৰিয়া, দেশী, মাইমল আৰু জলহা আদি জনগোষ্ঠীৰ অন্তৰ্গত লোক সকল বিভিন্ন সময়ত অযথা কৰ্কথনা, গালি গালাজ আৰু মানসিক নিৰ্যাতনৰ বলি হৈ আহিবলগা হৈছে। স্বধৰ্মীয় হোৱাৰ পিছতো খাদ্য, পোচাক, ভাষা, আচাৰ ব্যৱহাৰ আৰু সাংস্কৃতিক ভাবে বহু ক্ষেত্ৰতেই অসমৰ মিঞা মুছলমান আৰু খিলঞ্জীয়া মুছলমান সকলৰ মাজত প্ৰাৰ্থক্য বিদ্যমান।

অসমৰ খিলঞ্জীয়া মুছলমান সকলৰ মাজতো কিছু সংখ্যক অপৰাধ প্ৰৱনতা থকা লোক আছে যদিও এই ক্ষেত্ৰত মিঞা জনগোষ্ঠীৰ সমাজ খন বহু বেছি পৰিমাণে আগবঢ়া । প্ৰতিটো দিনতেই বিভিন্ন মাধ্যমত সম্প্ৰচাৰিত বাতৰিবোৰত হত্যা, ধৰ্ষণ, ডকাইটি, ড্ৰাগছ আসক্ত ইত্যাদি প্ৰায় ভাগ অসমাজিক কুকামত জৰিত সকলৰ নাম মুছলমান দেখা পোৱা যায়। শেষত তদন্তত ওলাই পৰেগৈ যে তাৰে প্ৰায় সংখ্যক অপৰাধীয়েই মিঞা জনগোষ্ঠীৰ লোক। বহু ক্ষেত্ৰত চৰজমিন তদন্তত এই বিষয়বোৰ প্ৰতিপন্ন হৈ গৈছে।

সাম্প্ৰতিক সময়ত অসমৰ জনজীৱনক জোকাৰি যোৱা ঘটনাটি হৈছে নগাঁও জিলাৰ বটদ্ৰবা থানা জ্বলাই দিয়া লোমহৰ্ষক কাণ্ড। বটদ্ৰবা থানাৰ আৰক্ষীৰ জিম্মাত থকা অবস্থাত এগৰাকী ব্যক্তিৰ মৃত্যু ঘটা ঘটনাক লৈ প্ৰথমে থানাৰ সমুখত ধৰ্ণা আৰু পিছলৈ থানা জ্বলাই দিয়া কাণ্ডত জৰিত সকল প্ৰশ শতাংশই এই মিঞা জনগোষ্ঠীৰ লোক যে হয় সেয়া খাটাং । আৰক্ষীৰ জিম্মাত লোক জনৰ মৃত্যু হোৱা ঘটনাৰ তদন্ত জাতি ধৰ্ম নিৰ্বিশেষে সকলোৰে বিচাৰিছে। মৃতকৰ লগতে পৰিয়ালে উচিত বিচাৰ পাবই লাগিব। সেয়া সাংবিধানিক ভাবে সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হোৱাটো আমিও বিচাৰো। ঠিক তেনেদৰে সেই ঘটনাৰ আঁত ধৰি এখন থানা অন্ কেমেৰা জ্বলাই দিয়া কাৰ্যও চৰম ভাবে নিন্দনীয়। থানা, আদালত আদিৰ চৌহদত অনবৰতে গিজ্ গিজাই থকা মিঞা জনগোষ্ঠীৰ লোকৰ দ্বাৰা অসাংবিধানিক ভাবে থানা জ্বলাই দিয়া কাৰ্যই তেওলোকে যে গণতন্ত্ৰ বিৰোধী, অসাংবিধানিক ভাবে আইন হাতত তুলি লৈ সাৰ্বজনীন ভাবে অসমৰ ইছলামধৰ্মী সকলো জনগোষ্ঠীকে ভাৰতৰ সমুহ জনতাৰ সমুখত হেয় প্ৰতিপন্ন কৰিলে সেয়া ধ্ৰুৱ সত্য ।

এনেবোৰ কাৰণতে সময় সাপেক্ষ ভাবেই অসমত বসবাস কৰা খিলঞ্জীয়া আৰু মিঞা মুছলমান সকলৰ মাজত এক শীতল সংঘাতে গা কৰি উঠিছে। সেয়ে আহি পৰিছে পৃথক জনগোষ্ঠীয় পৰিচয়ৰ প্ৰয়োজনীয়তাৰ বিষয়। এইক্ষেত্ৰত অসমৰ বি জে পি চৰকাৰে কিছু পদক্ষেপ গ্ৰহণ কৰি তৎপৰতা প্ৰদৰ্শণ কৰিছিল যদিও সেই গতি বহু পৰিমাণে লেহেমীয়া হৈ আছে।

অসম চৰকাৰৰ সংখ্যালঘু বিভাগৰ জৰিয়তে অসমৰ খিলঞ্জীয়া মুছলমান সকলৰ নেতৃস্থানীয় লোক আৰু সংগঠনৰ নেতৃবৃন্দক আমন্ত্ৰণ কৰি আনুষ্ঠানিক সভাৰ জৰিয়তে খিলঞ্জীয়া মুছলমান সকলৰ পৰিচয়কে ধৰি আন আন ক্ষেত্ৰ বিলাকৰ বিষয়ে আলোচনা কৰা হৈছিল। সেই আলোচনাত অসমৰ খিলঞ্জীয়া মুছলমান সকলৰ জৰিপ কৰি পৃথক ভাবে চিনাক্তকৰণৰ ব্যৱস্থা কৰা হ'ব বুলি সংবাদ মাধ্যমত প্ৰকাশ হৈছিল। এই বিষয়বোৰৰ কাৰ্যত ৰূপায়ণৰ দিশটি ক্ষিপ্ৰ গতিৰে অসম চৰকাৰে আগবঢ়াই নিলে একে ধৰ্মৰ




হোৱাৰ পিছতো সৃষ্টি হোৱা জনগোষ্ঠীয় সংঘাত মোচন হোৱাত সহায়ক হ'ব আৰু খিলঞ্জীয়া মুছলমান সকলে নিজকে ঐতিহাসিক সাহিত্য, সভ্যতা আৰু সংস্কৃতিৰে মহীয়ান কৰিব পাৰিব। কেৱল মাত্ৰ এটি ঘটনাৰ কাৰণেই নহয় এনে অলেখ ঘটনা অসমত মিঞা মুছলমান সকলে সংঘটিত কৰিছে যাৰ ফলত এই পৃথক জনগোষ্ঠীয় পৰিচয়ৰ প্ৰয়োজনীয়তা আহি পৰিছে। কিছুদিন পূৰ্বে যিমান সম্ভৱ বৰপেটা জিলাত দিন দুপৰতেই খিলঞ্জীয়া মুছলমানক আক্ৰমণ কৰিবলৈ প্ৰায় দুই সহস্ৰাধিক মিঞা মুছলমানে যাঠি, জোং, লাঠি ইত্যাদি হাতে হাতে লৈ ওলাই অহাৰ বাতৰি সম্প্ৰচাৰিত হৈছিল।

আনফালে এই বটদ্ৰবা থানা জ্বলোৱা কাৰ্যৰ বাবে ঘটনাৰ পিছ দিনাই মৃতক আৰু মৃতকৰ আত্মীয়ৰ ঘৰ ভাঙি দিয়া কাৰ্য কেতিয়াও গ্ৰহণ যোগ্য নহয়। সেই মানুহবোৰ যদি প্ৰকৃততে বেদখলকাৰীয়েই হয় তেতিয়া হ'লে উচ্ছেদৰ ব্যৱস্থা ল'বলৈ প্ৰশাসনে এনেকৈ থানা জ্বলাই দিয়ালৈকে অপেক্ষা কৰি থাকিব নালাগিছিল।

মূল বিষয়টি হৈছে সম্প্ৰতি অসমত খিলঞ্জীয়া আৰু বাংলাদেশমূলীয় মিঞা মুছলমান সকলৰ জনগোষ্ঠীয় পৰিচয়ৰ সংঘাত আঁতৰাবলৈ অসম চৰকাৰে তাৎক্ষনিক ভাবে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কেৱল অসম গৰীয়া উন্নয়ণ পৰিষদৰ দৰে কেইখন মান উন্নয়ণ পৰিষদ গঠন কৰি দিলেই অসম চৰকাৰৰ দায়িত্ব শেষ নহয়।

# জীৱনৰ খোজ

ৰিচা ৰহমান



এখোজ দুখোজকৈ গৈ থাকে খোজবোৰ
বৰষুণ জাকো এৰা নাই
ৰৈ যাব বিচৰা খোজ বোৰ
ৰব খুজিও গৈ থাকে
গৈ থাকে জীৱনৰ আকোঁৰা-পকোৰা
অথবা পোন পথেদি
যাত্ৰাৰ যে কোনো শেষ নাই
আজি জীৱনৰ নদীৰ সাকোঁত বহি
মুৰ ঘুৰাই চাইছো
এৰি অহা দীঘলীয়া বাটটো
ক্ষন্তেকীয়া জীৱনৰ বহু স্মৃতি
সজীৱ কৰি ৰখা কেইটিমান কবিতা
মোৰ হৃদয়ৰ অনুভৱৰ ক'লাজ
নাই ইয়াত কোনো উপাই
আছে মাথোঁ কলমেদি নিগৰি অহা
কেঁচা তেজৰ চেকুৰা অথবা
কেঁচা মাটিৰ গোন্ধ আৰু
এক সঞ্জীৱনী হৃদয়

# নান্দনিক জীৱন

পুলিন ডেকা



মানৱ জীৱন সৌন্দৰ্যবোধ হৈছে এক নান্দনিক বিষয়। মানৱ জীৱন অতি দুৰ্লভ আৰু এই জীৱন বৰ অনুপম। জীৱনৰ সৌন্দৰ্য কোনখিনিত প্ৰাপ্তি হয়, সেই সন্দৰ্ভত নিশ্চিতভাৱে মত-বিৰোধ থাকিব পাৰে। কিন্তু সৌন্দৰ্যবিহীন জীৱন যে অসাৰ, সেই সম্পৰ্কত কাৰো দ্বিমত থাকিব নোৱাৰে। অকল সুখ আৰু প্ৰচুৰ্যতাই জীৱনৰ সৌন্দৰ্য কঢ়িয়াই আনিব পাৰেনে ? দুখ আৰু প্ৰত্যাহ্বানমূলক জীৱনত সৌন্দৰ্য কোনেবাখিনিত হেৰাই যাই নেকি? বিশ্ববৰেণ্য সাহিত্যিক অস্কাৰ বাইল্ডে কৈছিল- 'বিদ্যমান প্ৰতিটো সুন্দৰ বস্তুৰ আঁৰত কাৰুণ্য নিহিত থাকে।' ৰোমানণ্টিছিজমৰ অন্যতম প্ৰবক্তা, সাহিত্যিক এডগাৰ এলেন পোৱে সৌন্দৰ্যক কাব্যিক অনুভূতিৰে তুলি ধৰি কৈছিল- 'যি ধৰণৰ সৌন্দৰ্যই নহওক কিয়, ইয়াৰ সৰ্বোচ্চ বিকাশত সংবেদনশীল আত্মাক চকুপানীয়ে অৱশ্যেই উত্তেজিত কৰে।' চিত্ৰশিল্পী পাবলো পিকাছোৱে নান্দনিক দিশটোক অন্য ধৰণে বিশ্লেষণ কৰিব বিচাৰিছিল । সেইবাবেই তেওঁ হয়তো কৈছিল, 'মই চকু আৰু মনৰ নান্দনিক খেলটো বেয়া পাওঁ, ই জ্ঞানীসকলৰ দ্বাৰা খেলা এবিধ খেল।' জীৱনৰ বিচিত্ৰ অভিজ্ঞাই তেওঁলোকক মনত সৌন্দৰ্য সম্পৰ্কত দিয়া। ধাৰণাৰ এয়া এক বহিঃপ্ৰকাশ।

আজিৰ আধুনিক মানুহে প্ৰাচুৰ্যতাৰ মাজত সৌন্দৰ্য বিচাৰে। কিন্তু প্ৰাচুৰ্যতা আৰু জীৱনৰ সৌন্দৰ্য এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি হ'ব নোৱাৰে। এক নান্দনিক জীৱনৰ প্ৰয়োজনীয়তা ক'ত? নান্দনিকতাই মানুহক সুখী জীৱন গঢ়াত এক দৰ্শন হিচাপে ক্ৰিয়া কৰে। সুখী জীৱন গঢ়ি তোলাত ইতিবাচক ভূমিকা গ্ৰহণ কৰে। আনহাতে আবেগিক স্তৰত সুখ আৰু সাম্যৰ অনুভূতি প্ৰকাশ কৰে। ইয়ে আমাক প্ৰতিফলন কৰাৰ সামৰ্থ্যৰ সৈতে সংযোগ কৰে। পৰৱৰ্তী পৰ্যায়ত চৌপাশে থকা বিশ্বক প্ৰশংসিত কৰিবলৈ শিকায়। যাৰ ফলত তৃপ্তি আৰু আশাৰ অনুভূতি জাগি উঠে। নান্দনিক জীৱন এক দৰ্শন, যিয়ে সৌন্দৰ্য আৰু শৈল্পিক সুষমাৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক গঢ়ি তোলে। এইতো মুলতঃ সৌন্দৰ্যৰ গভীৰ বিষয়। নান্দনিক জীৱন-যাপন কৰাটো হৈছে প্ৰায়ে সৌন্দৰ্যৰ ওপৰত কেন্দ্ৰীভূত জীৱন-যাপন কৰা। ইয়ে আমাৰ চৌপাশ সৃষ্টি কৰিছে আৰু দৈনন্দিন জীৱনত ইয়াৰ প্ৰতিফলন হয়।


নান্দনিক বিষয় হৈছে নৈতিকতাৰ পৰীক্ষা। যিয়ে সম্পৰ্কৰ শক্তিৰে বিকশি উঠে। মানুহ আৰু অন্যান্য জীৱ সকলোৰে মাজত এক জীৱনৰ সৌন্দৰ্য নিহিত হৈ থাকে। প্ৰকৃত জীৱনবোধ সম্পন্ন মানুহ হিচাপে চিনাক্ত কৰা অথবা জীৱনক আন কোনো প্ৰকাৰে হওক, আমি প্ৰকাশ কৰা সত্তাৰ মাজেৰে বিকশি উঠে জীৱনৰ কোনটো স্তৰত সৌন্দৰ্যৰ গৱাকী হ'বলৈ সমৰ্থ হৈছোঁ । নৈতিকতা আৰু সততাৰ ক্ষেত্ৰৰ পৰা স্বতন্ত্ৰ স্থায়ী ক্ষেত্ৰ হিচাপে জীৱনৰ নান্দনিকতাৰ বিষয়ে চিন্তা কৰাত আমাৰ দৃষ্টিভংগী থাকিব লাগিব। সেই প্ৰথাবোৰত আনন্দৰ স্বৰলিপিক জীৱনৰ কলাক ৰূপ দিয়াৰ সাৰ্থক প্ৰয়াস চলাব লাগিব । তেনে দিশত বিস্তৃত আলোচনা হ'ব লাগিব। আনন্দই এজন ব্যক্তিৰ বাবে দীঘলীয়া সময়ৰ বাবে এই অভ্যাসবোৰ সম্পাদন কৰাটো সম্ভৱ কৰি তোলে। যেতিয়া এজন ব্যক্তিয়ে নিজৰ সৈতে সম্পৰ্ক ৰাখে তেতিয়া নান্দনিক জীৱন আৰম্ভ হয়। সেই সম্পৰ্কৰ জৰিয়তে এজন ব্যক্তিয়ে নিজৰ বাবে জীৱন-যাপন কৰিব পাৰে। মানুহে সৌন্দৰ্য আৰু আনন্দৰ নতুন অভিজ্ঞতা বিচাৰে । পৰৱৰ্তী পৰ্যায়ত যেতিয়া এজন ব্যক্তিয়ে নিজকে আন এজন লোকৰ সৈতে মানসিকভাৱে সম্পৰ্কিত কৰে, তেতিয়া নৈতিক জীৱন-যাপন কৰাটো সম্ভৱ হৈ উঠে।

নান্দনিক বিচাৰবোধ এক মনস্তাত্ত্বিক বিষয়। নান্দনিক কোনো বস্তু বা পৰিঘটনাৰ প্ৰতি প্ৰভাৱাত্মক ক্ষেত্ৰৰ সঁহাৰি পৰীক্ষা কৰিবলৈ হ'লে মানুহে মনৰ কৰ্ষণ সাধন কৰিব লাগিব। নান্দনিক মূল্যৰ বিচাৰবোৰ সংবেদন স্তৰত বৈষম্য কৰাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। অৱশ্যে নান্দনিক বিচাৰ সাধাৰণতে সংবেদনশীল বৈষম্যৰ বাহিৰত দেখা যায় । ডেভিড হিউমৰ মতে, ৰসাস্বাদন কেৱল ৰচনা এখনত থকা সকলো উপাদন চিনাক্ত কৰাৰ সামৰ্থ্যকে নুবুজায়ে, ইয়াৰ লগতে বেদনা আৰু আনন্দৰ প্ৰতি সংবেদনশীলতা, যি মানৱ জাতিৰ পৰা মুৰ্তমান, তাকো উপলব্ধিৰ পৰিসৰলৈ আনিব লাগিব। সেয়েহে সংবেদনশীল বৈষম্য আনন্দ সামৰ্থ্যৰ সৈতে সম্পৰ্কিত। ইমানুৱেল কাণ্টৰ (বিচাৰ সমালোচনা ১৭৯০) বাবে, 'উপভোগ' হৈছে সংবেদনৰ পৰা আনন্দ । ইয়াৰ পৰা উদ্ভৱ সত্তাটোৱে হ'ল ফলাফল। কিন্তু কিবা এটা বিষয়ক 'ধুনীয়া' বুলি বিচাৰ কৰাৰ তৃতীয় প্ৰয়োজনীয়তা আছে; সংবেদনে প্ৰতিফলিত চিন্তা-চৰ্চা অব্যাহত ৰখাৰ দ্বাৰা আনন্দৰ জন্ম দিব লাগিব । সৌন্দৰ্যৰ বিচাৰবোৰ একেলগে সংবেদনশীল চিন্তা-চৰ্চাৰ মাজত বিৰাজমান হৈ আনন্দৰ উন্মেষ হ'ব লাগিব । সৌন্দৰ্যৰ বিশ্লেষণাত্মক দিশবোৰ একেলগে সংবেদনশীল, আৱেগিক আৰু বৌদ্ধিকভাৱে প্ৰতিফলিত হয় । কাণ্টে এজন ব্যক্তিৰ বিষয়ে লক্ষ্য কৰিছিল আৰু কৈছিল, ' যদি এজন ব্যক্তি মদ খাবলৈ সন্মত হয়, তেন্তে তেওঁ হয়তো যথেষ্ট সন্তুষ্ট হ'ব। যদি আন কোনোবাই তেওঁক পূৰ্বতে দিয়া চৰ্তাৱলী সংশোধন কৰে আৰু তাৰ সলনি তেওঁক ক'বলৈ মনত পেলাই দিয়ে যে ই মোৰ বাবে নিজস্ব সিদ্ধান্ত, তেতিয়া হয়তো তেওঁ অপ্ৰত্যাশিত এক পৰিস্থিতিৰ মুখামুখি হ'ব । কিয়নো সকলোৰে নিজা (সোৱাদ) অনুভূতি আছে।' সৌন্দৰ্যৰ বিষয় 'সন্মত' হোৱাতকৈ পৃথক। কিয়নো 'যদি কোনোবাই কিবা বস্তু ধুনীয়া বুলি ঘোষণা কৰে, তেন্তে তেওঁক আনৰ পৰা একে পচন্দৰ প্ৰয়োজনীতা থাকিব; তাৰ পিছত তেওঁ কেৱল নিজৰ বাবেই নহয়, সকলোৰে বাবে বিচাৰ কৰিব লাগিব। সৌন্দৰ্যৰ বিষয়ে আমি এনেদৰে ক'ব নোৱাৰো যে ই এক ৰাজহুৱা ঐকমত্যৰ বিষয়। সৌন্দৰ্যৰ ব্যাখ্যাত দুটা ধাৰণা দেখা যাব পাৰে- নান্দনিকতা আৰু অনুভূতিক । নান্দনিকতা হৈছে সৌন্দৰ্যৰ সম্পৰ্কত এক ধাৰণা । অনুভূতি হৈছে, এক শিক্ষ্য প্ৰক্ৰিয়া আৰু গণসংস্কৃতিৰ সংস্পৰ্শৰ জৰিয়তে শিকা অভিজাত সাংস্কৃতিক মূল্যবোধৰ সজাগতাৰ ফলাফল। সমাজৰ অভিজাতসকলে কেনেদৰে অনুভূতিৰ দৰে নান্দনিক মুল্যবোধৰ সংজ্ঞা দিয়ে আৰু এই মুল্যবোধৰ বিভিন্ন স্তৰৰ সংস্পৰ্শৰ ফলত শ্ৰেণী, সাংস্কৃতিক পৃষ্ঠভূমি আৰু শিক্ষাৰ দ্বাৰা কেনেদৰে তাৰতম্য হ'ব পাৰে সেয়া বাউডিউৰে পৰীক্ষা কৰিছিল। কাণ্টৰ মতে,সৌন্দৰ্য হৈছে বিষয়ভিত্তিক আৰু সাৰ্বজনীন, যেনেদৰে কিছুমান বস্তু সকলোৰে বাবে ধুনিয়া । টাটাৰকিবিজৰ মতে, কলা উপস্থাপনৰ বাবে ছয়টা চৰ্ত আছে- সৌন্দৰ্য, ৰূপ, প্ৰতিনিধিত, বাস্তৱৰ প্ৰজন্ম, শৈল্পিক অভিব্যক্তি আৰু উদ্ভাৱন । অৱশ্যে সকলোৱে এই গুণবোৰ কলাৰ কামত সমালোচনাত্মক দৃষ্টিৰে গ্ৰহণ কৰিব নোৱাৰিব পাৰে।

নান্দনিক জীৱন আৰু ই কিয় গুৰুত্বপূৰ্ণ, ছক্ৰেটিছৰ প্ৰশ্নৰ উওৰত আমি হয়তো ক'ব পাৰোঁ, কেনেকৈ জীয়াই থাকিব লাগে সেই বিষয়ে মনন জগতত নান্দনিক বাস্তৱতাৰ স্থান কি পৰ্যায়ত ৰাখিম, তাৰ ওপৰত গুৰুত্ব দিব লাগিব। কেনেদৰে নান্দনিক প্ৰতিশ্ৰুতিয়ে আমাক পৃথিৱীৰ মাজেৰে আগুৱাই নিব আৰু আমাৰ সুস্থতাক আকাৰ দিব? আমাৰ আত্মাবোধ আনৰ সৈতে থকা সম্পৰ্কৰ দ্বাৰা নিৰূপিত হয়। নান্দনিক ব্যৱস্থা হৈছে প্ৰাপ্তিৰ এক স্থান, ই বিষয়বস্তুৰ পৰিপ্ৰেক্ষিতত স্বকীয়তাৰে বিকাশ সাধন কৰে আৰু ই আমাৰ পাৰ্থক্যবোৰ অণ্বেষণ কৰাৰ বাবে ক্ষুধা বঢ়ায় । মতানৈক্য, বিষয়বাদ, নৃতাত্ত্বিকতা, ফেশ্বন আৰু আৰ্দশ, ইয়াৰ মাজত জড়িত হৈ থাকে। বিংশ শতাব্দীৰ প্ৰথম ভাগত সাধাৰণ নন্দনতাত্ত্বিক সূত্ৰৰ যথেষ্ঠা পৰিমাণে সলনি হয়। সাহিত্য কলা, দৰ্শনকে ধৰি প্ৰতিটো ক্ষেত্ৰতে ই সুকীয়া ধৰণে বিকশি উঠে। আনকি উওৰ আধুনিকতা, মনোবিশ্লেষণ, বিজ্ঞান আৰু গণিতবিদ্যাৰ মাজতো ইয়াৰ প্ৰয়োগৰ প্ৰৱণতা দেখিবলৈ পোৱা যায় ।

# হৃদয়ৰ ভাষা..

নন্দেশ্বৰ মিলি, যোৰহাট



তুমি কিনিব বিচাৰিছা নেকি
মোৰ হৃদয়খনক
মই নিলাম কৰিব বিচাৰোঁ
তোমাৰ লগত।
হয়তো চাগে' তুমি ভাবিছা
ইমান পাতলীয়া কথাবোৰ
কিয় ইমানকৈ
গুণগুণাই আছা।
কিন্তু তুমি নাজানা
সেই কথাবোৰ
কিমান গধুৰ
অনুভৱী মনেৰে
জুখি চাব জানিলেহে
তুমি বুজি পাবা।

# ENGLISH NEWS SECTION

## Governor releases a Hand Book on the Geographical Indications



Assam Governor Prof. Jagdish Mukhi released a Handbook on the Geographical Indications (With special focus on North-East Region), published under the auspices of the DPIIT-CIPAM IPR Chair of National Law University and Judicial Academy, Assam in the university campus today. While speaking on the book release function, the Governor said that North-East, India comprising eight states Assam, Arunachal Pradesh, Manipur, Meghalaya, Mizoram, Nagaland, Sikkim, and Tripura is a veritable repository of rare flora – fauna and distinctive cultural bequest. Geographical Indication registration of the natural and cultural abundance of the region, has the potential to establish the physiographical authenticity and also map regional exclusivity on a global platform. In this context, the Handbook published by National Law University and Judicial Academy, Assam is an opportunity that could guide regional stakeholders towards securing the sanctity of their bio-cultural heritage and also safeguarding their livelihood.

While underlining the importance of Geographical Indications, Prof. Mukhi said, "It is a laudable enterprise which offers on the mechanism of GI registration of traditional artistry, natural and manufactured products endemic to the region. The handbook is pertinent in the context of North East India, which, in spite of the rich biodiversity, is lagging behind in terms of optimizing GI tagging to its benefit."

Further the Governor stressed on the need to spread awareness about GI tagging among the grass root stakeholders, who are the curator of traditional knowledge and predominantly engage in agrarian activities. He also said that educational institutes should expand their purview and reach out to the community with the vision to empower them with knowledge.

The Governor also urged upon the university to disseminate the knowledge documented in the handbook among the masses, particularly those who live in rural and peri-urban locales of the region where natural bounty thrives in abundance. The Governor congratulated NLUJA, Assam IPR Chair for its efforts towards protection of the natural and cultural abundance of the North-East region in respect of Geographical Indications in the form of the publication of the book.

The book release function was attended by Chief Justice (Acting) of Gauhati High Court and Chancellor of National Law University and Judicial Academy Hon'ble Mr. Justice N. Kotiswar Singh, Vice- Chancellor of the University Prof. V. K. Ahuja, Deputy Commissioner Kamrup, Kailash Karthik N, faculty members, administrative staff, students of the university along with other dignitaries.

## Governor administers oath to two members of APSC



Assam Governor Prof. Jagdish Mukhi administered the oath of office to Smti. Alka Bhargava, IFS (Retd.) and Dr. Padma Sarma, Associate Professor (Retd.) as new members of the Assam Public Service Commission(APSC) at a ceremony held in the Durbar Hall of Raj Bhavan.

Earlier, Chief Secretary to the Govt. of Assam Jishnu Barua sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by Chairman of APSC Rajiv Kumar Bora, Chief Information Commissioner Samudra Gupta Kashyap, members and other office bearers of APSC, senior officers of the state government.

## Assam Govt. appoints Controlling Authority for Private Security Agencies




The State Government has appointed Kisan Kumar Sharma, ACS, Joint Secretary, Home & Political Department as the Controlling Authority for Private Security Agencies in Assam. Sharma will be responsible for grant, renewal, cancellation of licence under the Private Security Agencies (Regulation) Act, 2005. Additionally, he will also look after the overall superintendence and monitoring of the Private Security Agencies across the State.

## IMCT interacted with ASDMA on current Flood & Landslide situation in Assam



In view of the current flood and landslide situation in the State, the Assam State Disaster Management Authority (ASDMA) along with all the stakeholders expedited the response and recovery services to the severely affected districts. Some of the major initiatives undertaken in the last 24 hours are:

1. An Inter-Ministerial Central Team (IMCT) from Ministry of Home Affairs (MHA), Govt. of India reached Guwahati today and interacted with the Revenue and DM Dept. and Assam State Disaster Management Authority (ASDMA) officials as a part of their scheduled field visit to Assam from May 26 to May 29, 2022 for damage assessment of recent flood and landslide in the State.

2. To accelerate an effective damage assessment, IMCT members will be divided into 2 groups for visiting the relevant affected districts. The first group including the Team leader Ravinesh Kumar, FA, NDMA, Anjali Maurya, Asst. Director, Department of Expenditure, Ministry of Finance, Adelbert Sungi, Regional Officer, Ministry of Road Transport and accompanied by P. Vijay Bhaskar Reddy, IAS, Jt. Secretary and Jt. CEO, ASDMA will visit the Cachar and Dima Hasao districts on May 27 and May 28, 2022.

3. The second group of IMCT including Jintu Das, Jt. Director, Ministry of Agriculture,
Ajay Kumar Sinha, Supt. Engineer, Ministry of Jal Shakti, Kailash Shankla, Under
Secretary, Ministry of Rural Development, Govt. of India will visit the Darrang, Nagaon and Hojai districts on May 27 and May 28, 2022.

As per the Flood Report till date, the major points are:

A. 2 human lives lost in flood in last 24 hours and now total 30 human lives (25 in Flood & 5 in Landslide) have been lost in the first phase of flood till date.

B. A total of 5,61,149 populations of 956 villages in 12 districts affected in flood in last 24 hours.

C. A total of 47139.12 hectares crop areas have been affected in flood in last 24 hours.

D. 295 relief camps and 70 relief distribution centres have been opened in all affected areas in last 24 hours.

E. A total of 66,836 inmates are staying in these relief

F. Flood situation though improving is under close watch

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

১৪ জেঠ ১৪২৭ চন Rongili Barta, Date of Publication-- 29 May, 2022

## Beauty of the Week



Priya hazarika

## Art of the Week



Nabamita Benerjee

# পাঠ্যক্ৰম হ্ৰাস কৰক অন্যথা, পৰীক্ষা কাৰ্য্য সূচী পিছুৱাই দিয়ক

জয়ন্ত কলিতা ,ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যাল

২০২৩ বৰ্ষত অনুষ্ঠিত হ'ব লগা উচ্চতৰ মাধ্যমিক চুড়ান্ত বৰ্ষৰ পৰীক্ষাৰ সময় ইতিমধ্যে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে অনানুষ্ঠানিক ভাৱে সদৰি কৰিছে। সংসদে সদৰি কৰা সময় মতে ২০২৩ ৰ ১১ ফেব্ৰুৱাৰীৰ পৰা উচ্চতৰ মাধ্যমিক চুড়ান্ত বৰ্ষৰ পৰীক্ষা আৰাম্ভ হ'ব। উল্লেখনীয় কথা টো হ'ল যে এতিয়া লৈ আমাৰ দ্বিতীয় বৰ্ষৰ পাঠদান আৰাম্ভ হোৱা নাই। আৰাম্ভ হোৱা টো বহু দূৰৰে কথা প্ৰথম বাৰ্ষিকৰ পৰীক্ষাই শেষ হোৱা নাই। প্ৰথম বাৰ্ষিকৰ পৰীক্ষা শেষ হোৱাৰ পিছত তাৰ ফলাফল ওলোৱা লৈকে জুনৰ মাহ টো সম্পূৰ্ণৰূপে লাগিব। অৰ্থাৎ দ্বিতীয় বাৰ্ষিকৰ পাঠদান জুলাই মাহৰ পৰা আৰম্ভ হোৱাৰ সম্ভাবনা আছে। যদি জুলাই মাহত দ্বিতীয় বৰ্ষৰ পাঠদান আৰাম্ভ হয় তেনেহলে জানুৱাৰী মাহ লৈকে আমি মাথো ৭ মাহ সময় পাম বুলি সংসদে ইতিমধ্যে প্ৰকাশ কৰিছে। কিন্তু উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাৰৰ বাবে প্ৰায় এমাহ আগত ছাত্ৰ - ছাত্ৰী সকলক সম্পূৰ্ণ ঘৰত স্ব- অধ্যয়ন কৰা প্ৰয়োজন হয় বাবে পৰীক্ষাৰ এমাহ আগত দ্বিতীয় বৰ্ষৰ নিয়মীয়া পাঠদান বন্ধ হয়। অৰ্থাৎ জানুৱাৰী মাহতো অধ্যায়নৰ বাবে আমাৰ পাঠদান সম্পূৰ্ণ বন্ধ থাকিব। যাৰ বাবে আমি জুলাই মাহৰ পৰা ডিচেম্বৰ মাহলৈকে মাত্ৰ ৬ মাহে পাঠদান(ক্লাচ) কৰিব পাৰিম। (অন্যান্য বন্ধ বাদে দিলো) গতিকে এবাৰ ভাৱিচাওক যিতো পাঠ্যক্ৰম এবছৰ পঢ়ি বা পঢুৱাই শেষ কৰিববৈলে টান হয় সেইয়া মাত্ৰ ৬ মাহত শেষ কৰি উচ্চতৰ মাধ্যমিক দৰে বৃহৎ পৰিসৰৰ পৰীক্ষাত বহিবলৈ আমাক কেনেকৈ সাজু কৰিব? আৰু আমি সম্পূৰ্ণ ১২ মাহৰ পাঠ্যক্ৰম মাত্ৰ ৬ মাহত পঢ়ি কেনেকৈ শেষ কৰিম ? মুলতঃ এতিয়া যে এনে বোৰ চিন্তাই আমাৰ মন মগজুত মানসিক চাপ সৃষ্টি কৰিছে। বলপূৰ্বক পৰীক্ষা কেন্দ্ৰীক হেচাই যেন আমাৰ মন মন মগজুক জুৰুলা কৰিব ধৰিছে। গতিকে এইবাৰ বিশেষ পৰিস্থিতিত ছাত্ৰ - ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত পৰীক্ষাত কাৰ্য্য সূচী পিছুৱাই দিয়ক অথবা পাঠ্যক্ৰম হ্ৰাস কৰক।

## Photography of the Week



Ranjita Das

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286